
● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত
RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ
● ৮৫তম সংখ্যা ● গুৱাহাটী ● শুকুৰবাৰ ১৫ পুহ ১৪২৮
ভাস্কৰাব্দ ৩১ ডিচেম্বৰ ২০২১ চন ■ DAINIK AGRADOOT ● Guwahati ● Friday 31 December 2021 মূল্য ঃ ৯.০০ টকা

# দৈনিক অগ্ৰদূত

*সামাজিক দায়বদ্ধতাত অবিচল*



**দিগ্‌দৰ্শন**

মহৎ ইচ্ছাশক্তি অবিহনে মহৎ প্ৰতিভা বুলি কোনো বস্তু নাই।

অ'ন'ৰে দ্য বালজাক
*ফৰাচী ঔপন্যাসিক*


পথ সুৰক্ষা জীৱন ৰক্ষা

সত্যমেৱ জয়তে

অসম চৰকাৰ

## পৰিবহণ বিভাগ



- ২০২১ চনৰ নৱেম্বৰ মাহলৈকে সংঘটিত হোৱা মুঠ ৬৭৪৫ টা পথ দুৰ্ঘটনাত ২৭৫৬ জন লোকে প্ৰাণ হেৰুৱাইছিল।
- কেৱল ৩১ ডিচেম্বৰ ২০২০ আৰু ১ জানুৱাৰী ২০২১ ত অসমত সংঘটিত মুঠ ৬৯ টা পথ দুৰ্ঘটনাত ২৯ জন লোকে প্ৰাণ হেৰুৱাইছিল।
- ৭৫% পথ দুৰ্ঘটনা কেৱল তীব্ৰগতিৰ বাবেই সংঘটিত হয়।
- পথ দুৰ্ঘটনাত নিহত ৫৬% লোকেই ১৮ ৰ পৰা ৩৫ বছৰ বয়সৰ ভিতৰৰ।
- অসমত সংঘটিত ২৬% পথ দুৰ্ঘটনা আৰু ১৩% দুৰ্ঘটনাজনিত মৃত্যুত দুচকীয়া বাহন জড়িত।

ড° হিমন্ত বিশ্ব শৰ্মা
মাননীয় মুখ্যমন্ত্ৰী, অসম

### এখন দুৰ্ঘটনা মুক্ত অসমৰ সংকল্পৰে ২০২২ লৈ আগবাঢ়ো আহক

→ চালক আৰু আৰোহী উভয়ে হেলমেট পৰিধান কৰক।
→ তীব্ৰগতি পৰিহাৰ কৰক।
→ সুৰাপান কৰি বাহন নচলাব।
→ চালক আৰু আৰোহীয়ে ছীটবেল্ট পৰিধান কৰক।
→ বাহন চলাওতে ম'বাইল ফোন ব্যৱহাৰ নকৰিব।



| ক্ৰমিক নং | অপৰাধ | জৰিমনা (টকাত) | কাৰাদণ্ড/ অনুজ্ঞাপত্ৰ বাতিল |
|---|---|---|---|
| ১ | চালক আৰু আৰোহীয়ে হেলমেট পৰিধান নকৰাকৈ দুচকীয়া বাহন চলালে | ১,০০০ | অতি কমেও ৩ মাহলৈকে চালকৰ অনুজ্ঞাপত্ৰ বাতিল |
| ২ | চালক আৰু আৰোহীয়ে ছীটবেল্ট পৰিধান নকৰিলে | ১,০০০ | প্ৰযোজ্য নহয় |
| ৩ | নিৰ্দিষ্ট গতিসীমাতকৈ অধিক গতিত বাহন চলালে | ২,০০০ | অতি কমেও ৩ মাহলৈকে চালকৰ অনুজ্ঞাপত্ৰ বাতিল |
| ৪ | সুৰাপান কৰি বাহন চলালে | ১০,০০০ | অতি কমেও ৩ মাহলৈকে চালকৰ অনুজ্ঞাপত্ৰ বাতিল আৰু ৬ মাহলৈকে কাৰাদণ্ড হব পাৰে |
| ৫ | নাবালকে বাহন চলালে | ২৫,০০০ | অভিভাৱক বা বাহনৰ গৰাকীৰ ৩ বছৰলৈকে কাৰাদণ্ড হব পাৰে |

জনসংযোগ/ডি/১২৩০৬/২১

TransportAssam TransportAssam transportassam 9531107518

## শব্দ-বেহু ঃ ৩১ডিচেম্বৰ ২০২১

[illegible]

## আজিৰ দিনটো



কিৰো ইয়ং, ৰত্ন কুবেৰ জেমছ এণ্ড জুয়েলাৰী

জি. এছ. ৰোড, মণিপুৰী বস্তী, গুৱাহাটী-৭

☎ ঃ ২৫১২১০২, ৯৯৫৭১-১১১৭১

### ১৫ পুহ শুকুৰবাৰ ৩১ ডিচেম্বৰ

**সূৰ্যোদয় ঃ** ঘঃ ৬।১২।৩৬ **সূৰ্যাস্ত ঃ** ঘঃ ৪।৩৬।১৪। **তিথি ঃ** কৃষ্ণা দ্বাদশী, দং ২।৩৯।৫৩ প্ৰাতঃ ঘঃ ৭।১৬।৩৩ কৃষ্ণা ত্ৰয়োদৰ্শী, দঃ ৫৬।৫৩।২৮ শেষ ৰাঘ ৪।৫৬।৫৯। **নক্ষত্ৰ ঃ** অনুৰাধা, দং, ৩৪।২৯।৪৫ ৰাঘঃ ৮।০।৩০ **যোগ ঃ** শূল, দং ২৫।১৬।৯ ঘঃ ৪।১৯।৪ **কৰণ ঃ** তৈতিল। **জন্মত ঃ** বৃশ্চিকৰাশি, বিপ্ৰবৰ্ণ, দেৱগণ, হৰিণৰ অস্থি, বৰুণযোগ, অষ্টোত্তৰী আৰু বিংশোত্তৰী শনিৰ দশা, ৰাঘ ৮।০।৩০ যোৱাত দেৱাৰিগণ, বিংশোত্তৰী বুধৰ দশা। **আদ্যঋতু হ'লে ঃ** তিনি মহীয়া পতিহীনা যোগ। **মৰণত দোষ ঃ** এপদ, প্ৰাত ঘ ৭।১৬।৩৩ যোৱাত নাই। **যোগিনী ঃ** নৈঋতকোণত প্ৰাতঃঘ ৭।১৬।৩৩ যোৱাত দক্ষিণত, শেষ ৰাঘ ৪।৫৭।৫৯ যোৱাত পশ্চিমত। **যাত্ৰা ঃ** নাই, ত্ৰ্যহস্পৰ্শ দোষ। **শুভকৰ্ম ঃ** নাই। **ভক্ষ্যাভক্ষ্য ঃ** পূৰৈশাক, প্ৰাতঃঘ ৭।১৬।৩৩ যোৱাত বেঙেনা, শেষ ৰাঙ ৪।৫৭।৫৯ যোৱাত মাটিমাহ, মাছ-মাংস খোৱা নিষেধ।

*দিনটোৰ ৰাশিফল*

**মেষ ঃ** মানসিক অস্থিৰতা দূৰ হ'ব। তথাপি শৰীৰটো অৱশ্যে অনুভৱ হ'ব। সন্তানৰ উচ্চ শিক্ষাৰ বাতৰিয়ে মনত আনন্দ দিব। প্ৰাপ্তি ধন লাভৰ সম্ভাৱনা। যানবাহন কিনাৰ বাবে চেষ্টা চলাব পাৰে। প্ৰেমত অতিকৈ শুভ। বিবাহৰ যোগাযোগত শুভ।

**বৃষ ঃ** ব্যৱসায়ত উন্নতি লাভৰ সম্ভাৱনা। আৰ্থিকত খৰচৰ মাত্ৰা বৃদ্ধি পাব। মাটিবাৰীৰ লেনদেনত সাৱধান হ'ব। মামলা-মোকৰ্দমাত ক্ষতি হোৱাৰ সম্ভাৱনা আৰক্ষী তথা সামৰিক বাহিনীত কাম কৰাসকলৰ বাবে পদোন্নতিৰ যোগ দেখা যায়। বিবাহৰ যোগ।

**মিথুন ঃ** সন্তানৰ সাফল্যই আপোনাক আনন্দ কৰিব। প্ৰতিবেশীৰ লগত সম্ভাৱ ৰাখিব। বিদ্যা ক্ষেত্ৰত শুভ ফল লাভৰ পৰা বঞ্চিত হ'ব পাৰে। দূৰ ভ্ৰমণৰ যোগ দেখা যায়। বিবাহযোগ্যই বিয়াৰ কথা চিন্তা কৰিব পাৰে। ব্যৱসায়-বাণিজ্যত লাভ বৃদ্ধিৰ কাৰকতা।

**কৰ্কট ঃ** কৰ্মক্ষেত্ৰত নানা বেমেজালিৰ বাবে মনটো অস্থিৰ হ'ব পাৰে। খেলা-ধূলাৰ লগত জড়িতসকলে সুফল পাব. মাটিবাৰী ক্ৰয় কৰাৰ ক্ষেত্ৰত তৃতীয় ব্যক্তিৰ লগত যোগাযোগ নকৰিব। সন্তানৰ বাবে চিন্তা থাকিব. প্ৰেমত আগবাঢ়িব পাৰে।

**সিংহ ঃ** পানী লগা, কাহ আদি ৰোগ হ'ব পাৰে. শৰীৰ মধ্যম। কৰ্মক্ষেত্ৰত মানসিক অস্থিৰতা বৃদ্ধি পাব। মোকৰ্দমা আদিত সফলতা আহিব ঘৰুৱা শান্তি বিৰাজমান। ওচৰ-চুবুৰীয়াৰ লগত মনোমালিন্য হ'ব পাৰে। সাৱধান হওক। প্ৰেমত শুভ।

**কন্যা ঃ** ব্যৱসায় সম্প্ৰসাৰণৰ যোগ দেখা যায়। দৈহিক দিশত পেটৰ ৰোগ হোৱাৰ সম্ভাৱনা। আত্মবিশ্বাসেৰে সৃষ্টিমূলক কাম কৰিলে সফল হ'ব। যানবাহন কিনাৰ বাধা নাই। সন্তানৰ ক্ষেত্ৰত শুভ দূৰ ভ্ৰমণ নকৰাই ভাল। প্ৰেমত অশান্তি।

**তুলা ঃ** কৰ্মক্ষেত্ৰত সহকৰ্মীৰ ব্যৱহাৰত সন্তোষ নাপাব পাৰে। বিদ্যাত জটিলতা কম। দাম্পত্যত নিজৰ বিচাৰক অগ্ৰাধিকাৰ দিব লাগিব। আৰ্থিকত মধ্যম প্ৰভাৱ। দেহ বৰ সুস্থ নাথাকিব। মান-সন্মানৰ প্ৰশ্নত বিচলিত হ'বও পাৰে। অংশীদাৰী ব্যৱসায়ত শুভ।

**বৃশ্চিক ঃ**আৰ্থিক উন্নতিৰ চেষ্টা কৰিলেও খৰচৰ মাত্ৰা বাঢ়িব? ঘৰুৱা তথা কৰ্মস্থানত বিশেষ আহুকাল নাপাব। পিতৃৰ খুব বেয়া নহয়। অৱশ্যে শাৰীৰিক যত্ন ৰখাটো দৰকাৰ হ'ব। বিদ্যাত অনুকূল। গৃহাদিৰ উন্নতিৰ চেষ্টা অব্যাহত থাকিব।

**ধনু ঃ** বৈসয়িক ক্ষেত্ৰত নিজৰ দুৰ্বলতাৰ বাবে সমস্যাত পৰিব পাৰে। কৰ্মস্থানত সামগ্ৰিক ক্ষেত্ৰত আশাপূৰ্ণ যোগাযোগ পাব। বিশ্বাসযোগ্য বন্ধু-বান্ধৱৰ পৰা আগছোৱাত উপকৃত হ'ব। বিয়া-বাৰুৰ যোগাযোগত বাদা পাব। প্ৰেমত শুভ।

**মকৰ ঃ** দাম্পত্যত বিশেষ পৰিৱৰ্তন নাই। সন্তানৰ বাবে মধ্যম। নিকটআত্মীয়ৰ কোন খবৰত চিন্তিত। বিয়া-বাৰুৰ যোগাযোগত শুভ ব্যৱসায়ীসকলৰ দূৰ ভ্ৰমণ সফল হ'ব পাৰে. ভাই-ভনীৰ পৰা সহৃদয়তা নাপাব। সৰু-সুৰা ভ্ৰমণত বাধা নাই।

**কুম্ভ ঃ** মনত অত্যন্ত কুটাল প্ৰশ্নই তোলপাৰ লগাব পাৰে। অৱশ্যে তাৰ বেছিভাগেই অমূলক বুলি প্ৰমাণিত হ'ব। দাম্পত্যত চিন্তা। মনোজ্ঞ কথাত অনাৰ সহায় পোৱাত কষ্ট পাব।

**মীন ঃ** মজলীয়া হ'লেও শুভ প্ৰভাৱৰ সংখ্যা বৃদ্ধি। বিদ্যাৰ্থীৰ বাবে তেনে বাধা দেখা নাযায়। কিন্তু নিজৰ ভৱিষ্যৎ সম্পৰ্কে চিন্তিত হোৱাৰ যোগ থাকিব। দুপৰীয়াৰ পৰা সাৱধান হওক।

पंजाब नैशनल बैंक ...भरोसे का प्रतीक! punjab national bank ...the name you can BANK upon!

বিক্ৰী জাননী

[illegible]

● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

## দিগ্‌দৰ্শন



আপোনাৰ মূৰত মগজু আছে, ভৰিত আছে জোতা। সেয়েহে আপুনি বিচৰা দিশতে জীৱনৰ চকা ঘূৰাব পাৰে।

থিঅ'ডৰ ছুছ গাইছল
*আমেৰিকান লিখক-কাৰ্টুনিষ্ট*

www.dainikagradoot.in

৫ ফ্ৰান্সত প্ৰতি ছেকেণ্ডত দুজন কৰ'নাত আক্ৰান্ত
১৫ প্ৰথম টেষ্ট জয়ৰে দেশবাসীক নৱবৰ্ষৰ উপহাৰ
৪ নতুন বছৰৰ ধাৰণাৰ লগত জ্যোতিৰ্বিজ্ঞানৰ সম্পৰ্ক



RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ৮৫তম সংখ্যা ● গুৱাহাটী ● শুকুৰবাৰ ১৫ পুহ ১৪২৮ ভাস্কৰাব্দ ৩১ ডিচেম্বৰ ২০২১ চন ■ DAINIK AGRADOOT ● Guwahati ● Friday 31 December 2021 মূল্য ঃ ৯.০০ টকা

■ সাহিত্য একাডেমী অনুৰাধা শৰ্মা পূজাৰী-মীদায় গাহায়-চবিলাল উপাধ্যায়লৈ ■ অভিজিৎ বৰা-গৌতম দৈমাৰীলৈ যুৱ বঁটা ■ মৃণাল কলিতা-ৰত্নেশ্বৰ নাৰ্জাৰীলৈ শিশু সাহিত্য বঁটা

# অসমৰ সাত সাহিত্যিকলৈ একাডেমী বঁটা

■ প্ৰতিক্ৰিয়া সন্মান প্ৰাপক সাহিত্যিকৰ ■ এই সন্মান অনুৰাগী পাঠকলৈ উছৰ্গা কৰিছো ঃ শৰ্মা পূজাৰী ■ লিখিবলৈ জ্ঞানৰ প্ৰয়োজন, মন গ'লেই লিখিব নোৱাৰি ঃ ডাঃ ৰামছিয়াৰী ■ সাহিত্য চৰ্চাই জাতিৰ ভাষা-সংস্কৃতি ৰক্ষাৰ মূল মন্ত্ৰ ঃ উপাধ্যায় ■ বঁটা-বাহনৰ বাবে লেখা নাছিলো ঃ নাৰ্জাৰী ■ শিশু সাহিত্য মানেই উপদেশ থাকিব বুলি ভ্ৰান্ত ধাৰণা আছে ঃ কলিতা

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৩০ ডিচেম্বৰ ঃ** বছৰটোৰে বিদায় লোৱাৰ বাবে এটা দিন বাকী থকা অৱস্থাতে বিশেষ সুখবৰ পালে অসমবাসীয়ে। মুঠ সাতগৰাকী সাহিত্যিকলৈ আগবঢ়োৱা হ'ল একাধিক বিভাগৰ সাহিত্য একাডেমী বঁটা। ইয়াৰে তিনি সাহিত্যিকে অসমৰ তিনিটা ভাষাৰ বাবে লাভ কৰিলে সাহিত্য একাডেমী বঁটা। সেইদৰে দুগৰাকীকৈ সাহিত্যিকে লাভ কৰিছে সাহিত্য একাডেমীৰ শিশু সাহিত্য পুৰস্কাৰ আৰু যুৱ পুৰস্কাৰ। বিশিষ্ট সাহিত্যিক অনুৰাধা শৰ্মা পূজাৰী, চবিলাল উপাধ্যায় আৰু মীদায় গাহায় ছদ্মনামত সাহিত্য চৰ্চা কৰা ডাঃ দেৱকান্ত ৰামছিয়াৰীয়ে সাহিত্যৰ ক্ষেত্ৰখনলৈ আগবঢ়োৱা অৱদানৰ বাবে সাহিত্য একাডেমী বঁটাৰে বিভূষিত হয়। আজি সাহিত্য একাডেমীৰ তৰফৰ পৰা ২০টা ভাষাৰ বাৰ্ষিক সাহিত্য একাডেমী বঁটাৰ বাবে *শেষ পৃষ্ঠাত চাওক*





*সাহিত্য একাডেমী বঁটা জয়ী অনুৰাধা শৰ্মা পূজাৰী-মীদায় গাহায়-চবিলাল উপাধ্যায়।*






*শিশু সাহিত্যত মৃণাল কলিতা-ৰত্নেশ্বৰ নাৰ্জাৰী আৰু যুৱ শাখাত বঁটা লাভ কৰিলে অভিজিৎ বৰা-গৌতম দৈমাৰীয়ে।*

## আত্মহত্যাৰ সময়

**দেশ-কাল-সমাজ**

ড° দীনেশ বৈশ্য



**আত্মহত্যাৰ** সংখ্যা ভয়ানকভাৱে বৃদ্ধি হৈছে আমাৰ ৰাজ্য অসমত। বৃদ্ধি হৈছে অসমৰ ৰাজধানী মহানগৰী গুৱাহাটীত। চৰকাৰী হিচাপ মতে যোৱা বছৰত অসমত ৩২৪৩ লোকে আত্মহত্যা কৰিছে। গড় হিচাপে দৈনিক প্ৰায় নজন লোকে আত্মহত্যা কৰিছে। অসমত আত্মহত্যা কৰা লোকসকলৰ ৫০ শতাংশৰো অধিক নিবনুৱা যুৱক-যুৱতী আৰু দৈনিক হাজিৰা কৰা লোক। যোৱা বছৰটোত প্ৰায় এহেজাৰজন *১০ পৃষ্ঠাত চাওক*

## সেনাৰ গুলিত নিৰীহৰ মৃত্যুৰ উত্তেজনা-তীব্ৰ প্ৰতিবাদৰ মাজতেই

## নগালেণ্ডত পুনৰ ছমাহৰ বাবে ম্যাদ বৃদ্ধি সেনা আইনৰ

■ **নিউজ ব্যুৰ'**

**কহিমা, ৩০ ডিচেম্বৰ ঃ** নিৰীহ গাঁওবাসীৰ ওপৰত সেনাৰ গুলিচালনাৰ ঘটনাৰ উত্তেজনা তথা প্ৰতিবাদ অব্যাহত থকাৰ মাজতে পুনৰ নগালেণ্ডত বিতৰ্কিত আইনৰ ম্যাদ বৃদ্ধি কৰা হ'ল। সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলতে বিতৰ্ক অব্যাহত ৰখা সেনাবাহিনীৰ বিশেষ ক্ষমতা আইনৰ ম্যাদ কেন্দ্ৰীয় চৰকাৰে আজি বৃদ্ধি কৰে। সেনাৰ গুলিত নগালেণ্ডৰ মন *শেষ পৃষ্ঠাত চাওক*

## তিনি জানুৱাৰীৰ পৰা ১৫ৰ পৰা ১৮ বছৰ বয়সীয়ালৈ প্ৰতিষেধক

## ১৫ মাৰ্চৰ পৰা অনুষ্ঠিত হ'ব মেট্ৰিক-উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৩০ ডিচেম্বৰ ঃ** ক'ভিডসৃষ্ট পৰিৱেশৰ বাবে চলিত বৰ্ষত শিক্ষা বিভাগে হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা অনুষ্ঠিত কৰিব নোৱাৰিলেও *শেষ পৃষ্ঠাত চাওক*

■ ড° শৰ্মা মুখ্যমন্ত্ৰী পদত অধিষ্ঠিত হোৱাৰ বিপৰীতে কেন্দ্ৰলৈ সোণোৱাল ■ বিৰোধী বিধায়কৰ দলত্যাগৰ নতুন ধাৰা ৰাজ্যত

## লক্ষ্যণীয় ৰাজনৈতিক উত্থান-পতন



■ চেমিম চুলতানা আহমেদ

বিদায় ২০২১

**ভবা** ধৰণেই ২০২১ত ক'ভিড অতিমাৰীয়ে দেশৰ লগতে অসমতো প্ৰায় সকলোবোৰ ঘটনাৱলীৰ ওপৰত এক উদ্বেগৰ আৱৰণৰ ঘেৰ সৃষ্টি কৰি ৰাখিলে। অসমৰ বাবে ২০২১ আছিল নিৰ্বাচনী বৰ্ষ। অৱশ্যে ক'ভিডৰ অভাৱনীয় সংকটে অসমৰ ৰাজনীতি *ন পৃষ্ঠাত চাওক*

## কেৱল ধনাঢ্যৰে দপ্‌দপনি ■ ক'ভিডসৃষ্ট পৰিস্থিতিত বিদায়ী বৰ্ষৰ অৰ্থনীতিৰ আলেখলেখ

# ধনীৰামৰ ধন বাঢ়িল ঃ ৰাইজৰ হুমুনিয়াহ!

■ ৰাজ কুমাৰ হাজৰিকা

বিদায় ২০২১

**বামপন্থী** অৰ্থনীতিবিদসকলে প্ৰায়ে এই মত প্ৰকাশ কৰি আহিছে যে সাম্প্ৰতিক বিশ্বত ধনাঢ্যসকলে সৰ্বাধিক সা-সম্পত্তি কুক্ষিগত কৰি দিনক দিনে অধিক ধনী হ'বলৈ ধৰিছে আৰু ইয়াৰ বিপৰীতে আধুনিক অৰ্থ ব্যৱস্থাত সৰ্বহাৰা সদায় শোষিত বঞ্চিত হৈয়ে আছে। গোলকীয় অৰ্থনীতিৰ ক্ষেত্ৰত ২০২১ বৰ্ষটোৱে পুনৰ এই কথাকে বিশ্ববাসীৰ আগত প্ৰমাণিত কৰিলে। ২১ শতিকাৰ দুই দশক অতিক্ৰম কৰাৰ পাছতো দৰাচলতে এই বিশ্বত ধনাঢ্যৰে দপ্‌দপনি অব্যাহত আছে। আন্তৰ্জাতিক প্ৰেক্ষাপটতে হওঁক অথবা ভাৰতৰ ক্ষেত্ৰতে হওঁক, ২০২১ বৰ্ষত আমি অৰ্থনীতিৰ *১০ পৃষ্ঠাত চাওক*



## নতুন বৰ্ষত ২৫ লাখ সদস্যভৰ্তিৰ পণ ■ নৱপ্ৰজন্মক অধিক অগ্ৰাধিকাৰ দি আগবাঢ়িম ঃ বৰা

# অগপই অসমৰ প্ৰধান আৰু একমাত্ৰ আঞ্চলিক শক্তি ঃ অতুল বৰা

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৩০ ডিচেম্বৰ ঃ** বৃহৎ প্ৰত্যাহ্বানৰ মাজেৰে ঐক্য-শান্তি আৰু প্ৰগতিৰ মূলমন্ত্ৰ লৈ ন-সাজেৰে সভাপতি অতুল বৰাৰ নেতৃত্বত প্ৰগতিশীল জাতীয়তাবাদ শক্তিশালী কৰাৰ লক্ষ্য আগত ৰাখি পুনৰুজ্জীৱিত হৈ উঠা অসম গণ পৰিষদে আগন্তুক ইংৰাজী নৱবৰ্ষত ২৫ লাখ নতুন সদস্যভৰ্তিৰ পণ হাতত লৈছে। নৱবৰ্ষৰ প্ৰাক্‌ক্ষণত আজি সভাপতি বৰা, কাৰ্যকৰী সভাপতি কেশৱ মহন্ত সহিতে দলৰ নেতৃত্বই ৰাজ্যবাসীলৈ নৱবৰ্ষৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰি এই কথা সদৰী কৰে। উল্লেখ্য যে ছবছৰীয়া অসম আন্দোলনৰ পটভূমিত তথা ৮৫৫ ছহিদৰ কেঁচা তেজৰ বিনিময়ত গঠিত দলটোৱে দুবাৰকৈ চৰকাৰ গঠনৰ পৰৱৰ্তী পৰ্যায়ত সন্মুখীন হোৱা বিপৰ্যয়ৰ পাছত শেহতীয়াকৈ সভাপতি বৰাৰ নেতৃত্বত পুনৰ একেৰাহে দুবাৰকৈ চৰকাৰত অধিষ্ঠিত হৈছে। অগপৰ বিগত সময়ছোৱাৰ ভুলসমূহ আত্মবিশ্লেষণ আৰু আত্মশুদ্ধিৰ মাজেৰে নতুন *১০ পৃষ্ঠাত চাওক*



## এইবাৰ নগাঁৱত ড্ৰাগছৰ বেহাত গৃহৰক্ষী জোৱান

**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**

**নগাঁও/ধিং, ৩০ ডিচেম্বৰ ঃ** চোৰাং গৰু সৰবৰাহত নগাঁও আৰক্ষীৰ এজন কনিষ্টবল আৰু এজন গৃহৰক্ষী জোৱান জড়িত থকাৰ তথ্য পোহৰলৈ অহাৰ পাছত এইবাৰ অসম আৰক্ষীৰ আন এজন গৃহৰক্ষী বাহিনীৰ জোৱানৰ ঘৰত ওলাল নিষিদ্ধ ড্ৰাগছৰ লগতে সক্ৰিয় গুলি। বটদ্ৰৱাৰ *শেষ পৃষ্ঠাত চাওক*

■ গো-সুৰক্ষা আইন-দালালৰাজ বন্ধৰ তৎপৰতাৰেও দৃষ্টি আকৰ্ষণ

## উচ্ছেদ-ড্ৰাগছ-ঋণ ৰেহাই-এনকাউণ্টাৰ নতুন চৰকাৰৰ বহুচৰ্চিত পদক্ষেপ

■ অৰূপজ্যোতি মহন্ত

বিদায় ২০২১

**যোৱা** ১০ মে'ত অসমৰ নতুন চৰকাৰে কাৰ্যভাৰ গ্ৰহণ কৰে। এইখন চৰকাৰৰ কেতবোৰ সিদ্ধান্তও প্ৰথমৰে পৰা ব্যাপকভাৱে চৰ্চিত হৈ আহিছে। আনহাতে, সেই দায়িত্বভাৰ লোৱাৰ পাছত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা তথা তেওঁৰ চৰকাৰে কেইটামান বিশেষ বিষয়ৰ ওপৰত অধিক গুৰুত্ব দিয়াটো পৰিলক্ষিত হয়। চৰকাৰী ভূমিৰ পৰা বেদখল উচ্ছেদ, ড্ৰাগছ বিৰোধী অভিযান, মহিলাসকলৰ ক্ষুদ্ৰ বিত্তীয় ঋণ ৰেহাই, বিভিন্ন অপৰাধত অভিযুক্তক 'এনকাউণ্টাৰ'ৰ ধাৰাবাহিক ঘটনা, গো-সুৰক্ষা আইন, দালালৰাজ উৎখাতৰ অভিযান আদি পাৰ হ'বলৈ ওলোৱা বৰ্ষটোত সাতমহীয়া চৰকাৰখনৰ অন্যতম চৰ্চাৰ বিষয় হৈ ৰয়। *১০ পৃষ্ঠাত চাওক*

## পশুধন নিধন কৰি গোহালিতে কটালে নিশা

## বৰছলাত ঢেঁকীয়াপতীয়াৰ গুজৰণি শুনি আতংকিত গঞা

**অগ্ৰদূত বাৰ্তা**

**ঠেলামৰা, ৩০ ডিচেম্বৰ ঃ** শোণিতপুৰ জিলাৰ তেজপুৰৰ ভোমোৰাগুৰি সংৰক্ষিত বনাঞ্চলৰ লগতে কাষৰীয়া অঞ্চলত কিছুদিন পূৰ্বে এটা প্ৰাপ্তবয়স্ক ঢেঁকীয়াপতীয়া বাঘে বিচৰণ কৰি থকাৰ ঘটনাৰ মাৰ নৌযাওঁতেই আজি বৰছলাত এটা ঢেঁকীয়াপতীয়া বাঘৰ প্ৰৱেশ ঘটাত ৰাইজৰ মাজত তীব্ৰ আতংকৰ সৃষ্টি হয়। বাঘটোৱে এটা পশুধন হত্যা কৰি গোহালিৰ ভিতৰত যোৱা নিশাৰ লগতে সমগ্ৰ দিনটো অৱস্থান কৰি থাকে। *শেষ পৃষ্ঠাত চাওক*

২২ সহস্ৰাধিক মহিলাজনিত অপৰাধ-পাঁচ হেজাৰৰো অধিক শিশুৰ বিৰুদ্ধে অপৰাধ সংঘটিত ■ মহানগৰীতে ৩৭৫টা আত্মহত্যাৰ ঘটনা

## অসমত সহস্ৰাধিক হত্যাকাণ্ড-আত্মহত্যাই জোঁকাৰি গ'ল ২০২১ক

■ ৰণ্টু নেওগ

বিদায় ২০২১

**মানুহ** সমাজপ্ৰিয় আৰু সমাজত শান্তি-শৃংখলা অটুট থকাটো প্ৰতিজন নাগৰিকেই কামনা কৰে। যেতিয়া সমাজ এখনত সুন্দৰ অসুন্দৰ হয়, পোহৰৰ পৰিৱৰ্তে আন্ধাৰ প্ৰিয় হৈ পৰে তেতিয়াই এখন সুস্থ সমাজৰ কাঠামো ভাঙি পৰে। অসমৰ সমাজ ব্যৱস্থাত ধাৰাবাহিকভাৱে বৃদ্ধি পাবলৈ জঘন্য অপৰাধে যেন এনে সংবাদেই কঢ়িয়াই আনিছে। এক স্নিগ্ধ পুৱাৰ আবিৰেৰে কাইলৈ ধৰাত ভৰি দিবলগীয়া আন এটা নৱবৰ্ষৰ প্ৰাক্‌ক্ষণত এনে সংবাদ পৰিহাৰ কৰি প্ৰত্যেকে নতুন উদ্যম-প্ৰতিশ্ৰুতিৰে সমাজখনক সুস্থ-সৱল ৰূপত গঢ়ি তোলাৰ সংকল্প গ্ৰহণ কৰিব। উল্লেখ্য যে নৱবৰ্ষৰ প্ৰাক্‌ক্ষণত ৰাজ্যখনৰ অপৰাধৰ পৃথিৱীখনলৈ যদি উভতি চাওঁ, ৰাজ্যৰ অপৰাধৰ গ্ৰাফডাল ক্ৰমান্বয়ে উৰ্ধ্বগামী হৈ *ন পৃষ্ঠাত চাওক*

## তিনিখনকৈ বিতৰ্কিত কৃষি আইন বাতিল ■ যি কথা স্বয়ং প্ৰধানমন্ত্ৰী মোদীয়েও স্বীকাৰ কৰিলে

# স্বেচ্ছাচাৰিতাৰ বিপৰীতে কৃষকৰেই বিজয়

■ দেৱানন্দ মেদক

বিদায় ২০২১

**কৰ'না** মহামাৰীৰ সমান্তৰালকৈ, ২০২১ৰ আটাইতকৈ চৰ্চিত বিষয়টোৱেই আছিল সংযুক্ত কিষাণ মৰ্চাৰ নেতৃত্বত চলা দেশৰ প্ৰায় চাৰিশৰো অধিক কৃষক সংগঠনৰ আন্দোলন। দেশৰ শ্ৰমজীৱী কৃষক সমাজৰ বছৰজোৰা নিৰৱচ্ছিন্ন আৰু আপোচবিহীন আন্দোলন। ২০২০ৰ ছেপ্টেম্বৰত সংসদত উত্থাপন কৰা আৰু পৰৱৰ্তী সময়ত বিৰোধী ৰাজনৈতিক দলৰ প্ৰতিবাদ নেওচি ৰাষ্ট্ৰপতিৰ অনুমোদন লাভ কৰা সেই তিনিওখন কৃষি আইনৰ বিৰুদ্ধে চলা কৃষক সংগঠনৰ আন্দোলন ইমানেই তীব্ৰ, বিস্তাৰিত আৰু সংগঠিত আছিল যে শেষত আপোচবিহীন আৰু অনমনীয় প্ৰধানমন্ত্ৰীৰূপে খ্যাতি অৰ্জন কৰা নৰেন্দ্ৰ মোদীয়ে নিজেই ঘোষণা কৰিবলগীয়া হ'ল— 'সঁচা আৰু বিশুদ্ধ অন্তৰেৰে মই দেশৰ জনতাৰ আগত স্বীকাৰ কৰিছো, সেই তিনিওখন কৃষি আইন সন্দৰ্ভত আমি কৃষকসকলক বুজাব নোৱাৰিলো। আমাৰ প্ৰচেষ্টাত নিশ্চয় কিবা অভাৱ থাকিল, যাৰ বাবে আমি কৃষক সমাজক পতিয়ন নিয়াব নোৱাৰিলো।'

দেশৰ প্ৰধানমন্ত্ৰীয়ে ৰাজধানী দিল্লীৰ সীমান্তত বহু বাধা নেওচি ধাৰাবাহিক আৰু আপোচবিহীন সংগ্ৰাম চলোৱা *আঠ পৃষ্ঠাত চাওক*


■ মেছিৰ সপোন পূৰ্ণ, মাৰাডোনাৰ বিদায়, পেলেৰ অভিলেখ ভংগৰ সুনীলৰ

## অসমীয়াৰ সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ ক্ৰীড়া সাফল্য অৰ্জন লাভলীনাৰ

■ কুলপ্ৰদীপ ভাগৱতী

বিদায় ২০২১

**দিনটো** আছিল ৩০ জুলাই, ২০২১। বিদায় ল'বলগা এই বৰ্ষৰ ৩০ জুলাইৰ দিনটো অসমবাসীৰ বাবে চিৰদিনলৈ গৌৰৱৰ দিন হৈ থাকিব। সেই দিনটোতে অসমকন্যা লাভলীনা বৰগোঁহায়ে বেলি উঠা দেশত প্ৰথম অসমীয়াৰূপে অলিম্পিক পদক *১১ পৃষ্ঠাত চাওক*



## যিসকলে অসমলৈ কঢ়িয়াই আনিলে সাফল্য


**ক'ভিড** সৃষ্ট পৰিৱেশে আমাৰ চৌদিশৰ পৰিস্থিতিত বেয়া ধৰণে প্ৰভাৱ পেলালেও এই বৰ্ষটোত দেশ তথা ৰাজ্যলৈ আহে কে'বাটাও সফলতা। সাহিত্য, খেল,

■ নিপা কাকতি

বিদায় ২০২১


চিনেমা আদি ক্ষেত্ৰখনলৈ এই বিশেষ সাফল্য কঢ়িয়াই এনে কে'বাগৰাকী ব্যক্তিয়ে। ২০২১ৰ আমাৰ দেশখনৰ বাবে বিশেষ সফলতা বুলিলে টকিঅ' অলিম্পিকত লাভ কৰা সফলতাৰ কথা উল্লেখ কৰিবই লাগিব। অলিম্পিকত মুঠ *শেষ পৃষ্ঠাত চাওক*

## চেঙা তেল



*সকলোকে জনাই দিয়া— ধন আহৰণত নৱবৰ্ষত আমি শীৰ্ষ স্থানত থাকিমেই!*

## গ্ৰন্থমেলাত বিক্ৰীক লৈ আশাবাদী প্ৰকাশক-বিক্ৰেতা



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৩০ ডিচেম্বৰ ঃ** ক'ভিডজনিত পৰিস্থিতিৰ শংকা কিছু পৰিমাণে আঁতৰাৰ পাছত কালিৰে পৰা চান্দমাৰিৰ অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠানৰ খেলপথাৰত আৰম্ভ হোৱা অসম গ্ৰন্থমেলাত অংশগ্ৰহণ কৰা প্ৰকাশক তথা বিক্ৰেতা গোষ্ঠীয়ে আগন্তুক দিনকেইটাত বিক্ৰীৰ পৰিমাণ বৃদ্ধি হ'ব বুলি আশা ব্যক্ত কৰিছে। ১২ দিন ধৰি চলিবলগীয়া উক্ত গ্ৰন্থমেলাত অংশগ্ৰহণ কৰা সকলো বিপণীতে আজিৰ দিনটোত *১০ পৃষ্ঠাত চাওক*

বহু ছবিঘৰ হেৰুৱালো, তথাপি প্ৰত্যাশাৰ ৰেঙণি

## ভগ্নপ্ৰায় হ'লেও আশাৰ বন্তি নুমুৱা নাই সাংস্কৃতিক জগতখনৰ

■ প্ৰশান্ত বৰা

বিদায় ২০২১

**মানৱজাতিৰ** বিৰুদ্ধে যেন কৰ'না ভাইৰাছে গেৰিলা যুদ্ধতহে অৱতীৰ্ণ হৈছে। ছাৰ্চ-ক'ভ-২ নামেৰে পৰিচিত হৈ বিয়পি পৰাৰ পাছত আলফা, বিটা, গামা, ডেল্টা, অ'মিক্ৰন আদি নামেৰে ন ন ৰূপ লৈ এই ভাইৰাছে ৰক্তবীজৰ দৰে মানৱ জাতিৰ ওপৰত আক্ৰমণ চলাই আছে। কৰ'নাৰ এই গেৰিলা বাহিনীৰ স'তে লুকাভাকু খেলিয়েই আমি পাৰ কৰিলো আৰু এটা বছৰ। বিদায়ী বছৰটোত আশাৰ বতৰা যিমানখিনি পালো, তাতকৈ হতাশা-বেদনাৰ খবৰ আছিল বেছি। অন্যান্য ক্ষেত্ৰসমূহৰ দৰে ৰাজ্যৰ সাংস্কৃতিক ক্ষেত্ৰখনতো আমি দেখা পালো অনেক *শেষ পৃষ্ঠাত চাওক*

দৈনিক অগ্ৰদূত

গুৱাহাটী শুকুৰবাৰ ১৫ পুহ ১৪২৮ ভাস্কৰাব্দ ৩১ ডিচেম্বৰ ২০২১

## শিষ্টাচাৰ

**অসমীয়াসকলক** বিশেষকৈ ভাৰতবৰ্ষৰ আন জাতিৰ লোকৰ তুলনাত সুৰুচিসম্পন্ন। ভাৰতবৰ্ষৰ হিন্দী বলয়ৰ গ্ৰামাঞ্চলত উচ্চবিত্ত আৰু নিম্নবিত্তহে আছে। ভূস্বামী, মহাজন, ৰাজনৈতিক নেতা আদি ধনাঢ্য ব্যক্তিৰ বিপৰীতে ৮৫ শতাংশতকৈও অধিক নিম্ন আয়ৰ লোক। তেওঁলোকৰ প্ৰায়ভাগেই কৃষিজীৱী বা কৃষি শ্ৰমিক। এই বৃহৎ জনসংখ্যাৰ লোকসকলে কঠোৰ শ্ৰমৰ বিনিময়ত কোনোমতে পেটে-ভাতে খাই জীয়াই আছে। সাধাৰণতে কম বয়সতে কৃষক পৰিয়ালৰ ল'ৰা-ছোৱালীৰ বিয়া-বাৰু হয় আৰু বিয়াৰ পাছতো শহুৰৰ ঘৰত কৃষিকৰ্মত ব্যস্ত হৈ পৰে। সেই বাবেই তেওঁলোকৰ যৌৱনসুলভ বিকাশ প্ৰস্ফুটিত নহয়। তেনে পৰিস্থিতিতো তেওঁলোকৰ মাজত শিষ্টাচাৰৰ অভাৱ দেখা নাযায়।

অৱশ্যে নগৰীয়া ছবিখন সম্পূৰ্ণ সুকীয়া। অসমৰ এখন নগৰ আৰু পাটনা, লক্ষ্মৌ বা এলাহাবাদৰ নগৰীয়া জীৱনৰ মাজত কোনো পাৰ্থক্য নাই। সেই নগৰসমূহত বিলাসী হোটেল-ৰেষ্টোৰাত যুৱক-যুৱতীসকলে আনন্দ উপভোগ কৰে। সেই নগৰীয়া ছবিৰ স'তে হিন্দী বলয়ৰ গ্ৰামাঞ্চলৰ ছবিৰ মাজত আকাশ-পাতাল পাৰ্থক্য। ইয়াৰ মূলতে যুগ যুগ ধৰি ভূস্বামীৰ শোষণত পিষ্ট হোৱাটোৱেই কাৰণ ইয়াৰ বিপৰীতে অসমৰ নগৰ আৰু গ্ৰামাঞ্চলৰ মাজৰ জীৱন যাত্ৰাৰ পাৰ্থক্য তেনেই ক্ষীণ। অসমৰ পিছপৰা গ্ৰামাঞ্চলত ভ্ৰমণ কৰিলেও ডেকা-গাভৰুৰ প্ৰাণ-প্ৰাচুৰ্যৰ ছবি দেখা যায়। ইয়াৰ কাৰণ, অসমৰ গ্ৰামাঞ্চলত পুঁজিপতি, জমিদাৰৰ প্ৰকোপ নাছিল। দৰিদ্ৰও নাই। আছে কেৱল উচ্চ মধ্যবিত্ত আৰু নিম্ন মধ্যবিত্ত শ্ৰেণীৰ লোক। অসমৰ গ্ৰামাঞ্চলত যৌৱনে যথোচিত মৰ্যাদা লাভ কৰে। অসমীয়া মধ্যবিত্ত পৰিয়ালৰ লোকসকল অধিক সুৰুচিসম্পন্ন। কাপোৰ বোৱাৰ ক্ষেত্ৰতেই হওক, অথবা ৰন্ধা-বঢ়াৰ ক্ষেত্ৰতেই হওঁক, অসমীয়া যুৱতীৰ স্থান যে যথেষ্ট উন্নত এই বিষয়ত সন্দেহ নাই। এই সকলোবোৰৰে প্ৰতিফলন ঘটিছে বিহুৰ নৃত্যগীত, বিয়ানাম, ধাইনাম, বিহুৰ সময়ত ঘৰে ঘৰে বনোৱা বিবিধ খাদ্য সম্ভাৰ আদিত। ফুলাম গামোচা অসমীয়া মহিলাৰ স্বাভিমানৰ প্ৰতীক। তাৎপৰ্যপূৰ্ণ যে অসমৰ আটাইবোৰ জনগোষ্ঠীৰ মহিলা বোৱা-কটাত একপ্ৰকাৰ অদ্বিতীয় বুলিয়েই ক'ব লাগিব। এই সকলোবোৰেই অসমত বাস কৰা জনগণৰ সুৰুচিসম্পন্ন মানসিকতাৰ পৰিচয় দাঙি ধৰে। ৰাজ্যখনৰ একেবাৰে পিছপৰা গাঁওখনৰ তেনেই কম আয়ৰ লোকজনৰো সুৰুচিৰ অভাৱ দেখা নাযায়। কিন্তু সুৰুচি, সৰলতা আৰু শিষ্টাচাৰৰ মাজতো যথেষ্ট পাৰ্থক্য আছে। সৰল স্বভাৱৰ মানুহজনৰো শিষ্টাচাৰৰ অভাৱ হ'ব পাৰে।

এজন মানুহ সুৰুচিসম্পন্ন চৌখিন হ'ব পাৰে; কিন্তু তেওঁৰ আচৰণ বা শিষ্টাচাৰ আশানুৰূপ নহ'বও পাৰে। সুৰুচি বা সৌন্দৰ্যবোধ বহুপৰিমাণে জন্মসূত্ৰে লাভ কৰে। তাৰ বাবে বিশেষ প্ৰশিক্ষণ বা অনুশীলনৰ প্ৰয়োজন নাথাকে। ইয়াক স্বভাৱজাত প্ৰবৃত্তি বুলিও ক'ব পাৰি। অসমৰ জলবায়ু, প্ৰাকৃতিক সৌন্দৰ্য আৰু ভৌগোলিক পৰিৱেশে এই অঞ্চলৰ জনগণৰ ওপৰত প্ৰভাৱ পেলাই আহিছে। আনহাতে, শিষ্টাচাৰ বা আচৰণ মানুহৰ একোবিধ অলংকাৰ। প্ৰশিক্ষণ বা অনুশীলনৰ মাধ্যমত এই অলংকাৰৰ গৰাকী হোৱাটো সম্ভৱ। কোনো আঢ্যৱন্ত পুৰুষ-মহিলাই ঘৰখনত বিবিধ মনোৰঞ্জনৰ সামগ্ৰীৰে সুৰুচিৰ পৰিচয় দাঙি ধৰিব পাৰে, কিন্তু সেইখন ঘৰতো শিষ্টাচাৰৰ অভাৱ ঘটিব পাৰে। আনহাতে, এটি দৰিদ্ৰ পৰিয়ালৰ লোকো শিষ্টাচাৰ সম্পন্ন হ'ব পাৰে। তেনেদৰেই হোজা অথবা সহজ-সৰল স্বভাৱৰ লোকৰ মাজতো শিষ্টাচাৰৰ অভাৱ হ'ব পাৰে। উদাহৰণ স্বৰূপে আঙুলিয়াব পাৰি যে ঝাৰখণ্ডৰ আদিবাসীসকল হোজা আৰু সৰল স্বভাৱৰ; কিন্তু তেওঁলোকৰ আচৰণ বা শিষ্টাচাৰ সমপৰ্যায়ৰ নহ'বও পাৰে।

মানৱ সভ্যতাৰ হেজাৰ হেজাৰ যুগৰ সমুদ্ৰ মন্থনৰ সুফলেই হ'ল শিষ্টাচাৰ। এই শিষ্টাচাৰেই একোটা পৰিয়াল, একোটা জাতিৰ গৌৰৱৰ স্বৰ্ণ মুকুট স্বৰূপ। ধন-সম্পদৰ পাহাৰৰ গৰাকী, বিশ্ববিদ্যালয়ৰ সৰ্বোচ্চ ডিগ্ৰীধাৰী, সাহিত্য-সংগীত জগতৰ মুধা-ফুটাজনৰো শিষ্টাচাৰৰ অভাৱ হ'ব পাৰে।

## খোলা মঞ্চ

### অসমীয়া ভাষাৰ অস্তিত্বৰ সংকট এতিয়াও আছেনে?



**ভাষাই** জাতি এটাৰ স্বাভিমান বৃদ্ধিত অৰিহণা যোগায়। জাতি এটাৰ মুখ্য পৰিচয় ভাষা। ভাষাই জাতিৰ গৰিমা বৃদ্ধি কৰে। ভাষাই জাতিৰ সাহস বঢ়ায়। ভাষাই ঐক্য, শান্তি, প্ৰগতিও বৃদ্ধি কৰে। ভাষা এটা কোৱা আৰু লেখাৰ মাধ্যমেৰে সবল ৰূপত প্ৰতিষ্ঠিত হয়। ভাষা প্ৰেমে ভাষাৰ ভেটি সবল কৰে। ভাষা মানুহৰ দ্বাৰা পৰিচালিত হয়। মানুহে ভাষাক জীয়াই ৰাখে আৰু মানুহে ভাষাৰ মৃত্যু ঘটাবও পাৰে। যি জাতিৰ ভাষাৰ ভেটি সবল সেই জাতিক কোনেও পৰাভূত কৰিব নোৱাৰে। বিশ্বত অসমীয়া ভাষাৰো এটা সুকীয়া পৰিচয় আছে। বিশ্বৰ নানা ভাষালৈ আজি অসমীয়া ভাষাৰ গ্ৰন্থ অনুবাদ হৈছে। অসমীয়া ভাষা কোৱা আৰু লেখাৰ সংখ্যাও কম নহয়। আজি বিশ্ব সাহিত্যৰ স'তে অসমীয়া সাহিত্যও অগ্ৰসৰ হ'ব ধৰিছে। বিশ্ব সাহিত্যত অসমীয়া সাহিত্যই বলিষ্ঠ পদক্ষেপেৰে প্ৰতিনিধিত্ব কৰাৰ সাহস পাইছে। ইমানখিনি বলিষ্ঠ পদক্ষেপেৰে আগবঢ়াৰ ক্ষেত্ৰতো কিন্তু অসমীয়া ভাষা বিপদমুক্ত নহয়। অসমীয়া ভাষাৰ অস্তিত্বৰ সংকট নাই বুলি ক'ব নোৱাৰি। অসমীয়া ভাষাক এতিয়াও অসমৰ কিছু সংখ্যকে মাহী আইৰ দৃষ্টিৰেহে চাই আহিছে, সেইসকলে অসমীয়া ভাষাৰ উন্নতি কেতিয়াও নিবিচাৰে। অসমৰ ৰাজ্য ভাষা অসমীয়া, সেয়েহে অসমৰ প্ৰতিগৰাকী ব্যক্তিয়ে অসমীয়া ভাষাক শ্ৰদ্ধা, ভক্তি কৰিব লাগিব। আনহাতে, অসমৰ সৰহ সংখ্যকৰে মাতৃ ভাষা অসমীয়া, যিসকলৰ মাতৃভাষা অসমীয়া সেইসকলে অসমীয়া ভাষাক কোনো ক্ষেত্ৰতে আনৰ দ্বাৰা লাঞ্চিত হ'ব দিব নালাগিব। আমি কোৱা নাই যে ৰাষ্ট্ৰভাষা, সংযোগী ভাষা আদি নিশিকক। আজি বিশ্বায়নৰ যুগ। এই যুগত যিমানে ভাষা শিকিব সিমানে সুবিধা হ'ব। সেই বুলি মাতৃ ভাষাক এৰি অন্য ভাষাৰে পৰিচয় হোৱাটো আমি নিবিচাৰো। প্ৰথমে পৰিচয় দিব লাগিব মাতৃভাষাৰেহে। অসমৰ বহু অসমীয়া (মাতৃভাষা অসমীয়া) পৰিয়ালত আজি অসমীয়া ভাষা কোৱাৰ সংখ্যা নাইকিয়া হ'ব ধৰিছে। একাংশ অভিভাৱকে এনেকুৱাকৈহে গৰ্ব কৰে যে আমাৰ নাতি-নাতিনী বা পুত্ৰ-জীয়ৰীয়ে অসমীয়া ক'বই নাজানে। অথচ তেওঁলোক কিন্তু অসমতে বসবাস কৰি আছে। এয়া অসমীয়া ভাষাটোৰ বাবে অপমানজনক নহয়নে? আজি আমাৰ মাজৰ পৰা বহু অসমীয়া শব্দ হেৰাই যাব ধৰাৰ উপক্ৰম হৈছে। বহু সম্ভ্ৰান্ত অসমীয়া পৰিয়ালত দেউতা-মা আদি শব্দ নাইকিয়া হ'ব ধৰিছে। ভাষাক অপমান বা অৱহেলা কৰা ব্যক্তিৰ ওপৰত আইনগতভাৱে কঠোৰ ব্যৱস্থা ল'ব লাগে।


**দিলীপ বৰ্মন,** *লেখক*

ফোন ঃ ৯১০১৭৫৮০১৫

# নতুন বছৰৰ ধাৰণাৰ লগত জ্যোতিৰ্বিজ্ঞানৰ সম্পৰ্ক

## গতিয়েই সকলোৰে অস্তিত্ব ৰক্ষাৰ মাপকাঠী

দৃষ্টিপাত



ড° খৰ্গেশ্বৰ ভূঞা



**পৃথিৱীত** সদায় বিভিন্ন সমস্যা থকাৰ দৰে ২০২১ টোতো ব্যক্তি, সমাজ, ৰাজ্য, ৰাজনীতি, দেশ আৰু সমগ্ৰ-পৃথিৱীতে নানা সমস্যা আহিল, ইয়াৰে কিছুমান সমাধান হ'ল, কিছুমানে আন কিছু বৃহত্তৰ সমস্যাৰ জন্ম দিলে। মানুহৰ সমস্যা যিয়েই নহওক, সময় শৰৰ যিহেতু সদায় সমুখলৈহে গতি; সেয়েহে সময়ৰো ৰৈ থাকিবলৈ উপায় নাই। উপনিষদে চৰৈৱতি চৰৈৱতি অৰ্থাৎ 'গৈ থাকা' মন্ত্ৰ মতাৰ দৰে সকলো গতি কৰি থাকিবই লাগিব, সেয়া লাগিলে ক্ষুদ্ৰাতিক্ষুদ্ৰ কোৱাৰ্ক, ইলেক্ট্ৰন আদিয়েই হওক বা অতি বৃহৎ তাৰকাজগতেই হওক। ইলেক্ট্ৰনে পৰমাণু কেন্দ্ৰৰ চাৰিওফালে আৰু নিজৰ অক্ষৰ চাৰিওফালে পাক মৰাৰ দৰে উপগ্ৰহে নিজৰ অক্ষ আৰু গ্ৰহৰ চাৰিওফালে পৰিভ্ৰমণ কৰে, সেইদৰে গ্ৰহবোৰেও গতি কৰে নক্ষত্ৰক কেন্দ্ৰ কৰি, নক্ষত্ৰই নীহাৰিকাক কেন্দ্ৰ কৰি, নীহাৰিকাই ইয়াৰ সৰু থূপৰ চাৰিওফালে আৰু সৰু থূপে বৃহৎ নীহাৰিকা থূপৰ চাৰিওফালে ঘূৰে। মহাকাশৰ সদস্যবোৰ ৰৈ গ'লেই এইবোৰ ধ্বংস হ'ব, তাৰ পাছত গতিহীন অৱস্থা পালে বিশ্বব্ৰহ্মাণ্ডৰো ইতি হ'ব। গতিকে গতিয়েই যেন সকলোৰে অস্তিত্ব ৰক্ষাৰ মাপকাঠী।

সকলো পদাৰ্থই এটাই আনটোৰ পৰিপ্ৰেক্ষিতত গতি কৰি থাকে কাৰণেই সময়ৰ ধাৰণা আছিল। একোটা বস্তুৰ স্থান পৰিৱৰ্তনক সময়ৰ জোখ হিচাপে লোৱা হয়। বহুতো গতিশীল বস্তুৱে সাধাৰণতে পৰ্যাবৃত্ত গতিৰে স্থানান্তৰ ঘটায়, অৰ্থাৎ একোটা স্থানৰ পৰা গতি আৰম্ভ কৰি পুনৰ বাৰে বাৰে সমান সময়ত সেই স্থানলৈকে ঘূৰি আহে। এই গতিৰ আধাৰতে সময়ৰ হিচাপ হয়। ওলোটাকৈ ধাৰণা লোৱা হ'ল যেন সময়ৰ হিচাপতহে বস্তুৱে গতি কৰিব লাগিব। সময়ৰ হিচাপ কৰিবৰ বাবে পৃথিৱীতে থকা বা মহাকাশত ভ্ৰমি ফুৰা মহাজাগতিক বস্তুৰ গতিক আধাৰ স্বৰূপে লোৱা হয়। যেনে পৃথিৱীয়ে এটা নিৰ্দিষ্ট বিন্দুৰ পৰা সূৰ্য পৰিক্ৰমা আৰম্ভ কৰি পুনৰ সেই বিন্দুলৈ ঘূৰি অহাৰ সময়খিনিক এক সৌৰ বছৰ বুলি ধৰা হ'ল। তাৰ পাছত ওলোটাকৈ ভবা হ'ল যে পৃথিৱীয়ে এটা বছৰত সূৰ্যৰ চাৰিওফালে এপাক মাৰি পৰিভ্ৰমণ সম্পূৰ্ণ কৰিবই লাগিব— এটা নিৰ্দিষ্ট সময়ত এটা পুৰণি বছৰে বিদায় ল'ব আৰু এটা নতুন বছৰৰ হিচাপ আৰম্ভ হ'ব। আচলতে এনে কথাবোৰ ধৰি লোৱা ব্যৱস্থাহে।

বৰ্তমান চলি থকা বছৰ, মাহ, দিন আদি সময়বোৰৰ হিচাপ তেনেই আপেক্ষিক, এইবোৰৰ মহাজাগতিক তাৎপৰ্য বিশেষ নাই। মানুহে তিনি ধৰণৰ বছৰৰ হিচাপ লয়— সৌৰ বছৰ, চান্দ্ৰ বছৰ আৰু নাক্ষত্ৰ বছৰ। পৃথিৱীয়ে সূৰ্যৰ চাৰিওফালে এপাক ঘূৰিবলৈ লোৱা সময়খিনি হৈছে এক সৌৰ বছৰ, ইয়াৰ বাৰ ভাগৰ এভাগ হৈছে এমাহ— এই হিচাপৰ লগত প্ৰায় সকলো মানুহেই আজি-কালি অভ্যস্ত। চন্দ্ৰই পৃথিৱীৰ চাৰিওফালে এপাক ঘূৰাৰ সময়খিনি হৈছে এমাহ আৰু ইয়াৰ বাৰ গুণ হৈছে এক চান্দ্ৰ বছৰ। পৃথিৱীৰ অক্ষই কোনো নিৰ্দিষ্ট নক্ষত্ৰক (সূৰ্য নহয়) কেন্দ্ৰ কৰি এপাক ঘূৰিলে সেয়া নাক্ষত্ৰ দিন আৰু পুনৰ ঠাইলৈ পৃথিৱী ঘূৰি অহাৰ সময়খিনি হৈছে এক নাক্ষত্ৰ বছৰ। জ্যোতিৰ্বিজ্ঞানৰ হিচাপ-নিকাচত নাক্ষত্ৰ বছৰৰ দৰকাৰ হয়, সাধাৰণৰ বাবে এই হিচাপ নালাগে। সাৰ্বজনীনভাৱে ব্যৱহৃত হোৱা হিচাপটো হ'ল সৌৰ আধাৰৰ বছৰ, মাহ, দিন, ঘণ্টা ইত্যাদি। চান্দ্ৰ দিন বা তিথি, মাহ, বছৰ আদি অসম তথা ভাৰতত পূজা-পাৰ্বণ, ধৰ্মীয় উৎসৱ, মাংগলিক কাৰ্য আদিত ব্যৱহৃত হয়। ইছলামীয়সকলে চান্দ্ৰ পঞ্জিকাহে সচৰাচৰ ব্যৱহাৰ কৰে।

৩১ ডিচেম্বৰত এটা বছৰ শেষ আৰু এক জানুৱাৰীত নতুন বছৰৰ আৰম্ভ এই ধাৰণাটো সাৰ্বজনীনভাৱে আজি-কালি চলিলেও এয়া ধৰি লোৱা ব্যৱস্থাহে, প্ৰকৃত পৰিস্থিতি বিচাৰ কৰিলে খেলি-মেলি বহুত ওলায়। বৰ্তমান প্ৰচলিত গ্ৰেগৰিয়ান পঞ্জিকাখনৰ মতেই বেছিভাগ কাম চলিলেও পৃথিৱীত শ শ বিধৰ কেলেণ্ডাৰ বা পঞ্জিকা আছে। কেৱল ভাৰততে ১৫ বিধমান কেলেণ্ডাৰ প্ৰচলিত আৰু প্ৰত্যেকৰেই বছৰৰ আৰম্ভণিৰ দিন বেলেগ বেলেগ, যেনে অসমীয়া পঞ্জিকা আৰম্ভ হয় ১৪ এপ্ৰিলত, যিটো ব'হাগ বিহুৰ লগত বৰ্ষৰ মলমাহৰ যোগেদি সমন্বয় ঘটাই সৃষ্টি কৰা হৈছে। সেইদৰে ভাৰতীয় জাতীয় পঞ্জিকাৰ বৰ্ষাৰম্ভৰ দিন ২১ মাৰ্চ, কলি যুগ বৰ্ষাৰম্ভ ১৫ এপ্ৰিল, বিক্ৰম সম্বত (গুজৰাট)ৰ ১০ নৱেম্বৰ ইত্যাদি।

পৃথিৱীৰ ঘূৰ্ণন অক্ষই ধ্ৰুৱতৰাৰ চাৰিওফালে ২৫,৮০০ বছৰত এপাক ঘূৰে বাবে বছৰ আৰম্ভণিৰ দিনবোৰ সলনি হৈ থাকে; ভাৰতীয় প্ৰাচীন শাস্ত্ৰবোৰে এনে দিন পৰিৱৰ্তনৰ প্ৰায় সঠিক হিচাপ দি গৈছে আৰু এইবোৰ হিচাপৰ পৰাই বিভিন্ন শাস্ত্ৰ প্ৰণয়নৰ তাৰিখবোৰ পণ্ডিতসকলে নিৰ্ণয় কৰিব পাৰিছে। প্ৰাচীন কালত বিভিন্ন সময়ত মাঘ, ফাগুন, চ'ত আদিত বছৰ আৰম্ভ কৰা হৈছিল।

পৃথিৱীৰ ক্ষেত্ৰত চন্দ্ৰ, পৃথিৱী, সূৰ্য আৰু এটা স্থিৰ নক্ষত্ৰ (যেনে বৰ্তমানৰ ধ্ৰুৱ নক্ষত্ৰ বিটাউল্টামাইনৰিচ)ৰ আপেক্ষিক গতিৰ আধাৰত পৃথিৱীত সময়ৰ গণনা হয়। আন গ্ৰহৰ ক্ষেত্ৰত এনে গণনা নচলে, যেনে বুধৰ বছৰ হ'ব ৮৮ দিনত, বৃহস্পতিৰ এবছৰ মানে পৃথিৱীৰ ১২ বছৰ ইত্যাদি। পৃথিৱীৰ ক্ষেত্ৰতো ব্যৱহৃত ঘড়ীসমূহ সূৰ্যৰ গতি মতে নচলে, চলে এটি কল্পিত সূৰ্যৰ গতি অনুযায়ী। পৃথিৱীয়ে নিজৰ অক্ষত এপাক ঘূৰোতে লগা সময়খিনি এদিন বুলি ধৰা হ'লেও প্ৰকৃততে দিনৰ হিচাপো তিনিধৰণে কৰিব লগা হয়, দিনকেইটা হ'ল— নাক্ষত্ৰিক দিন, মধ্য বা গড় সৌৰদিন আৰু স্বাভাৱিক বা আপাত সৌৰদিন। এইবোৰ সময়ৰ মাজত চাৰি মিনিটমানৰ পাৰ্থক্য হয়। সেইবোৰ জটিলতালৈ নগৈ আন এটা দিশৰ উল্লেখ কৰিব পাৰি। দিশটো হ'ল এক সৌৰ বছৰত থাকে ৩৬৫ দিন পাঁচঘণ্টা ৪৮ মিনিট ৪৫.৩ ছেকেণ্ড, অৰ্থাৎ পৃথিৱীয়ে কোনো এটা বিন্দুৰ পৰা যাত্ৰা আৰম্ভ কৰি সেই বিন্দু পাবলৈ ইমানখিনি সময় লাগিব। বছৰৰ হিচাপ মিলাবলৈ ওপৰৰ সময়খিনিক প্ৰায়— ৩৬৫ দিন ছয় ঘণ্টা বুলি ধৰা হয়। যিহেতু স্বাভাৱিক বছৰ এটাৰ দৈৰ্ঘ্য ৩৬৫ দিন বুলি লোৱা হয়, সেয়েহে প্ৰতি চতুৰ্থ বছৰত বেছি হোৱা এটা দিনৰ হিচাপ মিলাবৰ বাবে চতুৰ্থ বছৰটো ৩৬৬ দিন বা লিপ্ ইয়েৰ ৰূপত লোৱা হয়। মন কৰিবলগীয়া কথাটো হ'ল— এটা বিন্দু বা দিনৰ পৰা বছৰ গণনা আৰম্ভ কৰি ৩৬৫ দিনৰ স্বাভাৱিক বছৰত আৰম্ভণি বিন্দুটো পাবলৈ প্ৰায় ছয় ঘণ্টা বাকী থাকে। অৰ্থাৎ নতুন বছৰ সদায় নিশা বাৰ বজাত আৰম্ভ নকৰি ছয় ঘণ্টাকৈ পিছুৱাই দিব লাগে। সেইদৰে ৩৬৫ দিনীয়া লিপ্ ইয়েৰ বছৰত আৰম্ভণি বিন্দু প্ৰায় ১৮ ঘণ্টাৰ আগতেই অতিক্ৰম কৰি অহা হয়। সেয়েহে বাৰ বজাত নতুন বছৰৰ আৰম্ভণি কৰাৰ মহাজাগতিক তাৎপৰ্য নাথাকে। ইয়াৰ লগতে যোগ দিবলগীয়া কথাটো হ'ল— একোখন দেশত চলা ঘড়ীবোৰে একে সময় দেখুৱালেও স্থানীয় সময়বোৰ বেলেগ বেলেগ। যেনে গুৱাহাটীৰ লোকে স্থানীয় সময়মতে নিশা ১২ বজাত নৱবৰ্ষক আদৰিলে মুম্বাইৰ লোকে প্ৰায় এঘণ্টা ১৫ মিনিটৰ পাছতহে আদৰিব লাগে।

বৰ্তমান ব্যৱহৃত গ্ৰেগৰীয়ান কেলেণ্ডাৰখনৰ বছৰৰ আৰম্ভণিটো কোনো বিশেষ অৱস্থানৰ আধাৰত নহয়— সূৰ্যৰ চাৰিওফালে পৃথিৱী ঘূৰোতে কেইটামান অৱস্থানৰ বিশেষত্ব থাকে, যেনে আটাইতকৈ চুটি দিন, দীঘল দিন, সমান দিন ইত্যাদি। ইংৰাজী বছৰৰ আৰম্ভণি তেনে বিশেষ দিনত নহয়। কেলেণ্ডাৰখনৰ ইতিহাস অনুধাৱন কৰিলে দেখা যায় যে পাছলৈ যীশুৰ জন্মদিন আৰু বৰ্ষৰ লগত সংগতি ৰাখি বছৰৰ আৰম্ভণি দিনৰ ঠিক কৰিলেও আৰম্ভণিতে এই বছৰ গণনাৰ লগত যীশু খ্ৰীষ্টৰ কোনো সম্পৰ্ক নাছিল। ভাৰতীয় পঞ্জিকাৰ অনুকৰণত প্ৰস্তুত কৰা ৰোমানসকলৰ বছৰ আৰম্ভ হৈছিল মাৰ্চত। ১০ মাহৰ বছৰত পাঁচ মাহ ৩০ দিনীয়া আৰু পাঁচ মাহ ২৯ দিনীয়া, বছৰৰ মুঠ দিন ২৯৫। বাকী দুটা মাহৰ কেনেকৈ হিচাপ কৰিছিল জনা নাযায়। মাৰ্চত বছৰ আৰম্ভ কৰাৰ বাবে Septa বা সপ্তম মাহ আছিল September, অষ্টম বা octo মাহ October নৱম বা Nova মাহ November আৰু দশম বা Deca মাহ আছিল December। প্ৰচলিত ধাৰণা মতে ৭০০ খ্ৰীঃপূঃত জানুৱাৰী আৰু ফেব্ৰুৱাৰী নামৰ দুটা মাহ ডিচেম্বৰৰ পাছত যোগ কৰে ৰজা নুমা পাম্পিলিয়াচে। তেতিয়ালৈ চান্দ্ৰ বৰ্ষ চলিছিল যদিও ইয়াৰ পাছত সৌৰবৰ্ষৰ আৰম্ভণি কৰা হয়। বছৰৰ ১২ মাহৰ দিনবোৰৰ সংখ্যা আজি-কালিৰ হিচাপৰ দৰে তেতিয়াই ঠিক কৰে।

৪৬ খ্ৰীঃপূঃত জুলিয়াছ চিজাৰে পঞ্জিকাৰ সংস্কাৰ কৰে। তেতিয়া হিচাপ কৰি দেখা গৈছিল যে ২৫ মাৰ্চত মহাবিষুৱৰ সংক্ৰান্তি হৈছে। সেয়েহে চলিত বছৰৰ লগত ৮৫ দিন যোগ কৰি ২৬ মাৰ্চৰ পৰা বছৰৰ আৰম্ভণি কৰা হ'ল। বছৰৰ দৈৰ্ঘ্য ৩৬৫.২৫ দিন বুলি তেতিয়াই জানি বছৰৰ শেষ মাহ ফেব্ৰুৱাৰীৰ ২৮ দিনৰ লগত চতুৰ্থ বছৰত এদিন যোগ কৰি মাহটো ২৯ দিনীয়া কৰা হ'ল— ফেব্ৰুৱাৰীৰ ২৪ তাৰিখটোকে দুবাৰ গণনা কৰা হৈছিল, গতিকে তেতিয়া ২৯ ফেব্ৰুৱাৰী বুলি কোনো তাৰিখ নাছিল। ৪৬ খ্ৰীঃপূঃৰ একাদশ মাহ (মাৰ্চত বছৰৰ আৰম্ভণি) জানুৱাৰীৰ পহিলা তাৰিখে জুলিয়াছ চিজাৰে তেওঁৰ প্ৰশাসকসকলক নিযুক্তি দিয়ে। সেয়েহে পহিলা জানুৱাৰী তাৰিখটো ৪৫ খ্ৰীঃপূঃৰ আৰম্ভণি দিন বুলি ধৰি নতুন বছৰ গণনাৰ পদ্ধতি আৰম্ভ হ'ল।

> বহুতো ধৰি লোৱা ব্যৱস্থাৰে মানৱ সমাজ চলি আছে, তাৰ ভিতৰত কেলেণ্ডাৰৰ ব্যৱস্থাটোও এটা। মহাকাশত গ্ৰহ-নক্ষত্ৰই বিশেষ গতিৰে চলি আছে, এইবোৰৰ আধাৰত মানুহে খাপ খোৱা ব্যৱস্থা কিছুমানৰ সৃষ্টি কৰি লয়। মানুহে ঠিক কৰি লোৱামতে মহাকাশৰ বস্তুপিণ্ড নচলে।

সৌৰ বছৰৰ দৈৰ্ঘ্য পাছত পোৱা গ'ল ৩৬৫.২৪২২ দিন, পূৰ্বে ধৰা হৈছিল ৩৬৫.২৫ দিন। ইয়াৰ ফলত চাৰিশ বছৰত ৩.১২ দিন আগুৱাই যায়। ৩২৫ খ্ৰীষ্টাব্দত দিচিয়াত ঠিক কৰা হ'ল ২১ মাৰ্চৰ মহাবিষুৱৰ সংক্ৰান্তিৰ দিনটো স্থিৰ হৈ থাকিব। তাৰ পাছত চাৰিশ বছৰত তিনিদিনকৈ আগুৱাই ১৫৮১ খ্ৰীষ্টাব্দত মহাবিষুৱৰ সংক্ৰান্তি হ'ল ১১ মাৰ্চত। সেয়েহে সংক্ৰান্তি মিলাবৰ বাবে ১৫৮২ খ্ৰীষ্টাব্দত পোপ ত্ৰয়োদশ গ্ৰেগৰীয়ে চাৰি অক্টোবৰৰ পাছত ১০ দিন বাদ দি পাছৰ দিনটো ধৰিলে ১৫ অক্টোবৰ। অৰ্থাৎ চাৰি অক্টোবৰ বৃহস্পতিবাৰৰ পাছৰ শুকুৰবাৰৰ তাৰিখ হ'ব লাগিছিল পাঁচ অক্টোবৰ, কিন্তু ধৰা হ'ল ১৫ অক্টোবৰ। ১৫৮২ খ্ৰীষ্টাব্দৰ অক্টোবৰ মাহটো ২১ দিনীয়াহে হ'ল। নতুন বৰ্ষপঞ্জীৰ নাম হ'ল গ্ৰেগৰীয়ান কেলেণ্ডাৰ। তেতিয়াৰ পৰাই ঠিক কৰা হ'ল যে প্ৰতি চাৰিশ বছৰত বৃদ্ধি হোৱা তিনিদিন কমাবলৈ শতিকাবোৰ, লিপ্-ইয়েৰ হ'বলৈ চাৰিৰে নহয় চাৰিশৰে হৰণ কৰিলে মিলি যাব লাগিব। যেনে ২০২০ক চাৰিৰে হৰণ কৰিলে মিলি যায় বাবে ই লিপ্ ইয়েৰ, কিন্তু ১৯০০টো চাৰিৰে হৰণ কৰিলে মিলি গ'লেও চাৰিশৰে হৰণ কৰিলে মিলি নাযায় বাবে ই লিপ্ ইয়েৰ নহয়। সেইদৰে ১৭০০, ২১০০, ২৩০০ আদি চন লিপ্-ইয়েৰ নহয়। ইয়াৰ পাছতো অৱশ্যে গণনা সম্পূৰ্ণ শুদ্ধ নহয়, কিয়নো ৩৩০০ বছৰত পুনৰ এটা দিন বেছি হয়।

মহাজাগতিক ঘটনাৰ আধাৰত নহয় প্ৰায়বোৰ কেলেণ্ডাৰেই কিছুমান উল্লেখনীয় ঘটনাৰ আধাৰত প্ৰতিষ্ঠিত। গ্ৰেগৰীয়ান কেলেণ্ডাৰৰ বৰ্ষবোৰক খ্ৰীষ্টাব্দ বোলা হয় খ্ৰীষ্টান ধৰ্মৰ প্ৰৱৰ্তক যীশুখ্ৰীষ্টৰ জন্মৰ আধাৰত। কথাটো হ'ল কেলেণ্ডাৰখনৰ বৰ্ষ গণনাৰ কামবোৰ খ্ৰীষ্টজন্মৰ সাতশমান বছৰৰ আগতেই আৰম্ভ হৈছিল, তাৰ উপৰি আৰম্ভণি দিনটোও বহুবাৰ সলনি হৈছিল, যিবোৰ সলনিৰ লগত যীশুৰ জন্মৰ কোনো সম্পৰ্ক নাই। ভেনিছ লা পেটিট নামৰ ধৰ্মযাজকজনে ৫৩২ খ্ৰীষ্টাব্দত ক'লে যে বছৰৰ হিচাপ খ্ৰীষ্টাব্দ অৰ্থাৎ খ্ৰীষ্ট জন্মৰ আধাৰত হওক। অৱশ্যে খ্ৰীষ্টৰ জন্ম চন/তাৰিখ লৈয়ো বিতৰ্কৰ অন্ত নাই। খ্ৰীঃপূঃ চাৰিৰ পৰা খ্ৰীঃ চাৰি লৈ বিভিন্ন তাৰিখ তেওঁৰ জন্মৰ বাবে ধাৰ্য কৰা হয়। সেইদৰে ২৫ ডিচেম্বৰ, পহিলা জানুৱাৰী আদি বিভিন্ন তাৰিখ তেওঁৰ জন্ম দিন।


গ্ৰেগৰীয়ান কেলেণ্ডাৰ ইউৰোপৰ বিভিন্ন দেশে বিভিন্ন সময়ত গ্ৰহণ কৰিছিল। যেনে ১৫৮২ ৰ ডিচেম্বৰত ফ্ৰান্স আৰু নেদাৰলেণ্ডে, ১৫৮৪ত জাৰ্মানীৰ কেথলিকসকলে, ১৭০০ত জাৰ্মানীৰ প্ৰ'টেষ্টাণ্টসকল আৰু ছুইজাৰলেণ্ডে, ইংলণ্ড, ইয়াৰ উপনিৱেশ আৰু ছুইডেনে ১৭৫২ খ্ৰীষ্টাব্দত— ইত্যাদি ধৰণে কেলেণ্ডাৰখন গ্ৰহণ কৰিছিল।

বহুতো ধৰি লোৱা ব্যৱস্থাৰে মানৱ সমাজ চলি আছে, তাৰ ভিতৰত কেলেণ্ডাৰৰ ব্যৱস্থাটোও এটা। মহাকাশত গ্ৰহ-নক্ষত্ৰই বিশেষ গতিৰে চলি আছে, এইবোৰৰ আধাৰত মানুহে খাপ খোৱা ব্যৱস্থা কিছুমানৰ সৃষ্টি কৰি লয়। মানুহে ঠিক কৰি লোৱামতে মহাকাশৰ বস্তুপিণ্ড নচলে। যেনে চন্দ্ৰই পৃথিৱীৰ চাৰিওফালে এপাক মৰাৰ সময়ক এমাহ বুলি ধৰা হয়। তেনেকুৱা বাৰ মাহে এবছৰ অৰ্থাৎ পৃথিৱীয়ে সূৰ্যক এবাৰ পৰিভ্ৰমণ কৰাৰ সময়। তাৰমানে সূৰ্যৰ চাৰিওফালে পৃথিৱীয়ে এপাক মৰাৰ সময়ত চন্দ্ৰই পৃথিৱীক ১২ বাৰ পৰিভ্ৰমণ কৰিব লাগে, বাস্তৱত তেনে নহয়। সেইদৰে পৃথিৱীয়ে বহুকালৰ আগতে ২২ ঘণ্টাত নিজৰ অক্ষত এপাক মাৰিছিল, অৰ্থাৎ দিনৰ দৈৰ্ঘ্য তেতিয়া ২২ ঘণ্টীয়া আছিল। এতিয়া দিনৰ দৈৰ্ঘ্য ২৪ ঘণ্টা; বহুকালৰ পাছত দিনৰ দৈৰ্ঘ্য ২৬ ঘণ্টীয়া হ'ব। এইবোৰ পৰিৱৰ্তনে সময়ৰ জোখকো সলাই পেলাব। সি যি কি নহওক, ধৰি লোৱা ব্যৱস্থাৰে পহিলা জানুৱাৰীৰ পৰা ২০২২ত আৰম্ভ হ'ব বাবে বহুতেই উৎসৱৰ দৰে পালিব। পিছে ইয়াৰ বাবে মহাজাগতিক ক্ষেত্ৰত বিশেষ একো পৰিৱৰ্তন নহয়, গতিকে উৎসৱত ফূৰ্তিৰ আতিশয্য হোৱাটোও নিৰৰ্থক।

*ফোন ঃ ৮১৩৫৮৩৫২১৯*

## প্ৰকৃতিৰ অনুপম দান চানডুবি

অভিমত



**চানডুবি** এখন আদৰ্শ আৰ্দ্ৰভূমি। কামৰূপ জিলাৰ পলাশবাৰী ৰাজহ চক্ৰৰ অন্তৰ্গত এই চানডুবি বিল মিৰ্জাৰ পৰা ৩০ কিলোমিটাৰ দূৰৈৰ পশ্চিম ৰাজাপাৰা গাঁৱৰ সমীপত। ১৮৯৭ৰ ১২ জুন শনিবাৰে আবেলি পাঁচ বাজি ১৫ মিনিটত শ্বিলং প্লেটৰ ৯১ ডিগ্ৰী পূব আৰু ২৬ ডিগ্ৰী উত্তৰ ভৌগোলিক অৱস্থানত আঠ-সাত ৰিখটাৰ স্কেলত সংঘটিত ভূমিকম্পৰ ফলত পাহাৰ খহি আৰু ভূমিস্তৰ তললৈ নামি বৰ্তমানৰ অসম-মেঘালয় সীমামূৰীয়া অঞ্চলত চানডুবি বিলৰ সৃষ্টি হৈছিল। ১৮৯৭ৰ বছৰটোকেই বিলৰ জন্মৰ ভিত্তি বছৰ হিচাপে ধৰা হয় যদিও বিভিন্ন পণ্ডিত আৰু স্থানীয় লোকৰ পৰা জনা যায় যে ভূমিকম্পৰ আগৰ পৰাই বৰ্তমান বিলৰ অৱস্থানত জলাশয় আছিল। ১৮৯৭ৰ বৰভূঁইকঁপৰ জোঁকাৰণিত দাঁতিকাষৰীয়া পাহাৰৰ অৱনমন ঘটি পহুশিঙীয়া আকৃতিৰ এই জলাশয়ৰ সৃষ্টি হ'ল। এসময়ত বহু জান-জুৰিৰে জীপাল হৈ থকা চানডুবি বৰ্তমান সংকটত, বৰ্তমানে পৰিৱেশ তন্ত্ৰত প্ৰতিকূল প্ৰভাৱ পৰাৰ বাবেই বিভিন্ন প্ৰজাতিৰ মাছ আৰু পক্ষীকুলৰ সংখ্যা কমিছে।

মুঠ ৩৯টা আঙুলি সদৃশ খন্দাৰীৰ গঠনৰ বাবে দেখাত সৰু যেন লাগিলেও চানডুবিৰ উপকূল ৰেখাৰ দৈৰ্ঘ্য বেছি। এক ব্যতিক্ৰমধৰ্মী গঠনৰ বাবে চানডুবিৰ সংৰক্ষণ আৰু পৰিচালনাৰ ক্ষেত্ৰত বিজ্ঞানসন্মত চিন্তা-চৰ্চা প্ৰয়োজনীয়। আৰম্ভণিতে সাতশ হেক্টৰ মাটি কালিৰে আগুৱা বিলখন বৰ্তমান সংকুচিত হৈ পৰিছে আৰু বাম হৈ গৈছে। বৰ্তমানে চৰকাৰৰ গ্ৰাম্য উন্নয়ন বিভাগ, মীন বিভাগে বিলখন উন্নয়নৰ ব্যৱস্থা ল'ব পাৰে। ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰে বিভিন্ন সময়ত চানডুবিক লৈ বিভিন্ন প্ৰকল্প হাতত লোৱা বুলি জনা যায় যদিও সেই প্ৰকল্পসমূহ কাৰ্যকৰী নোহোৱাৰ অভিযোগ উত্থাপন হৈছে। ১৯৭৫ত জলসিঞ্চন বিভাগে চানডুবিক লৈ এটা জলসিঞ্চন প্ৰকল্প হাতত লৈছিল আৰু সেই সময়ৰ বিভাগটোৰ ছয়গাঁৱৰ এছ ডি অ' পোলেন বৰকটকীয়ে প্ৰকল্পৰ দায়িত্বত থাকি চৰজমিন জৰীপ কৰি স্কেলমতে বিলখনৰ নক্সা প্ৰস্তুত কৰিছিল। সেই নক্সাখনত চানডুবি বিলৰ প্ৰকৃত ছবিখন প্ৰকাশ পাইছিল। সময়ত প্ৰকল্পটো কাৰ্যকৰী নহ'ল।

চানডুবিত মীন উন্নয়ন নিগমে সেৱা আগবঢ়াব পাৰে। নিগমে বিশ্ববেংকৰ অৰ্থ সাহায্যত ৰাজ্যখনৰ মাছ উৎপাদনৰ ক্ষেত্ৰত সুনীল বিপ্লৱৰ সূচনা কৰিব বিচাৰিছে। যিহেতু চানডুবি এটা প্ৰাকৃতিক জলাশয়, গতিকে ইয়াত মীন উন্নয়ন নিগমেও আঁচনি ল'ব পাৰে। চৰকাৰে এম জি এনৰেগা আঁচনিৰ জৰিয়তে বিলখনৰ বাম হৈ পৰা মাটি খান্দি বিলখনৰ পৰিসৰ বঢ়োৱাৰ কথা চিন্তা কৰিব পাৰে। ৰাজ্য চৰকাৰৰ বন বিভাগ, পৰ্যটন বিভাগ আৰু গ্ৰাম্য উন্নয়ন বিভাগৰ সহযোগত এখন প্ৰাকৃতিক উদ্যানৰ কথাও চিন্তা কৰিব পৰা যায়। বিলখনৰ ঠেক অংশৰে জোৰামখুৰীয়ালৈ পদ সাঁকো দিলে সিপাৰৰ ৰাইজৰ যাতায়াতৰ সুবিধা হোৱাৰ লগতে পৰ্যটকৰ বাবেও সুবিধা হ'ব। চানডুবি বিলৰ সিপাৰে থকা পাহাৰত কৃষ্ণচূড়া, ৰাধাচূড়া, সোণাৰু, এজাৰ আদি গছ ৰুলে ই পৰ্যটকক আকৰ্ষণ কৰিব। বহু বছৰৰ আগেয়ে অসম চৰকাৰৰ পৰ্যটন বিভাগে এজন পৰ্যটক তথ্য বিষয়াসহ ১৭জন কৰ্মচাৰীক নিযুক্তি দিয়া বুলি বাতৰি কাকতত পঢ়িছিলো। বৰ্তমানে কৰ্মচাৰীসকল সদৰ স্থানত থাকি ৰাইজক সেৱা আগবঢ়ালে সকলো উপকৃত হ'ব। বৰদুৱাৰ ভোলাগাঁও আঞ্চলিক ৰাভা জাতীয় সংগঠনকেইটাৰ উদ্যোগত ২০১১ৰ পহিলা জানুৱাৰীৰ পৰা প্ৰতি বছৰে 'চানডুবি উৎসৱ' উদ্‌যাপিত হৈ আহিছে আৰু চানডুবি উৎসৱৰ উপলক্ষে 'লকেয়া' নামৰ এখন স্মৃতিগ্ৰন্থও প্ৰকাশৰ দিহা কৰিছে।

প্ৰকৃতিৰ মাণিক স্বৰূপ চানডুবি কেতবোৰ দুষ্ট লোকৰ নিষ্ঠুৰতা আৰু অদূৰদৰ্শিতাৰ বলি হৈ ধ্বংসৰ গৰাহত পৰিছিল যদিও স্থানীয় লোক আৰু ৰাভা জাতীয় সংগঠনকেইটাৰ উদ্যোগত চানডুবিৰ হেৰুওৱা গৌৰৱ-গাথাই পুনৰ প্ৰাণ পাই উঠিব বুলি আমাৰ ভাব হৈছে। এই দূৰদৰ্শী সংগঠনকেইটাই পৰিকল্পিতভাৱে কিছু ইতিবাচক কাৰ্য ব্যৱস্থা ল'লে চানডুবিৰ লগতে পাৰ্শ্ববৰ্তী অঞ্চল বিৰাট পৰ্যটন ক্ষেত্ৰলৈ উন্নীত হ'ব। মাজে-সময়ে বাতৰি কাকতত চানডুবি, কুলশী বনাঞ্চলত বন ধ্বংসৰ বাতৰি পঢ়িবলৈ পাওঁ। আমি আশা কৰিম— স্থানীয় সংগঠন কেইটাই ৰাইজক জড়িত কৰি বন বিভাগৰ লগত লগ লাগি এনে কাৰ্য ৰোধ কৰাত সহায় কৰিব।

বৰ্তমানে পৰ্যটন উদ্যোগে গা কৰি উঠাৰ সময়তে এচাম সুবিধাবাদী, অৰ্থলোভী লোকৰ হাতত পৰি ৰিজৰ্ট জাতীয় ব্যৱসায়িক প্ৰতিষ্ঠান গঢ়ি তুলি জনজাতীয় বৈশিষ্ট্যৰ ওপৰত বিৰূপ প্ৰভাৱ পেলোৱাৰ শংকা ঘনীভূত হোৱাটো প্ৰত্যক্ষ কৰা হৈছে। সময় থাকোতেই এই ক্ষেত্ৰত সাৱধান হোৱা দৰকাৰ।

আধুনিক যান্ত্ৰিক জীৱনত ক্লান্ত মানুহৰ বাবে চানডুবি পৰম শান্তিৰ আলয়। আমি আশা কৰিম— চিৰ যৌৱনা চানডুবিয়ে আজিৰ পৰা এশ বছৰ পাছতো আমাৰ উত্তৰ পুৰুষক কোনোবা জোনাক নিশা যৌৱনৰ আৰতি শুনাব। প্ৰকৃতিৰ এই অনুপম সৃষ্টি চানডুবিক মানুহে নিজৰ স্বাৰ্থতেই ৰক্ষণা-বেক্ষণ দিয়া দৰকাৰ।

**দিনমণি দাস**

ফোন ঃ ৯৪৩৫১৯২০৫৬

## ৰক্ষকেই যেতিয়া ভক্ষক

**মই** তেতিয়া বয়সৰ ফালৰ পৰা সৰু। আমাৰ ঘৰৰ ওচৰত সপ্তাহত দুদিনকৈ যাত্ৰা নাটক হয়। যাত্ৰা নাটক গোটেই ৰাতি হয়। এইবিলাকত একোখনকৈ কমিটী থাকে আৰু এই কমিটীয়ে যাত্ৰা নাটকৰ খৰচ বহন কৰে। এই যাত্ৰা নাটকৰ নামত সেই সময়ত দেখিছিলো বৃহৎ জুৱাখেল। দুই-তিনি ঠাইত কমিটীয়ে জুৱাখেল পাতিছিল। মই যাত্ৰা নাটক চাবলৈ সন্ধিয়াৰ পৰাই আসন লৈ বহি থাকিছিলো। মই দেখিছিলো আমাৰ নিচিনা মানুহে যাত্ৰা নাটক চায় আৰু বাকী ৰাইজ জুৱাখেলত ব্যস্ত। এদিন মই ডাঙৰ মানুহ এজনক সুধিলো এই যে জুৱাখেল হয় পুলিচে কিয় নধৰে। তেওঁ বুকু ফিন্দাই উত্তৰ দিলে থানা আমাৰ। পুলিচ কেতিয়াও নাহে। মই কথাটো ভালকৈ বুজি নাপালো যদিও বহুতদিনলৈকে মোৰ মূৰত কথাটো খেলি আছিল আমাৰ। ডাঙৰ হ'লো। বুজিব পৰা শক্তি হ'ল। ঘৰৰ পৰা বাহিৰত থাকো। মই থকা ঠাইখনত মাজে-মাজে সদলবলে পুলিচ আহি চুলাই মদৰ ভাটিত হানা দিয়ে। পুলিচ আহে মানে চুলাই মদৰ ভাটিত ডাঙৰ তলা ওলমি থাকে। পুলিচে বৃথা চেষ্টাৰে ঘূৰি যায়। কথাটো এদিন মই চুলাই মদৰ ভাটি থকা এজন দোকানীক সুধিলো, এই যে পুলিচ আহে আপোনালোকৰ দোকানত হানা দিবলৈ কিন্তু আপোনালোকক ধৰিব কিয় নোৱাৰে? দোকানীজনে মিচিকিয়া হাঁহি এটি মাৰি ক'লে—আমাৰ থানাখনত ইনফৰমাৰ আছে। কেতিয়া পুলিচ আহিব সেয়া আমাক আগতীয়াকৈ জনাই দিয়ে। গতিকে এছ পি আহিলেও আমাক ধৰিব নোৱাৰে।

ইতিমধ্যে নগাঁও জিলাৰ বৰঘাট আৰক্ষী চকীৰ এজন পুলিচ আৰু এজন হোমগাৰ্ড চোৰাং গৰু ব্যৱসায়ীৰ লগত জড়িত বা চোৰাং ব্যৱসায়ীক মনে মনে খবৰ দিয়া কামটো কৰি দিয়ে বুলি স্বয়ং নগাঁও জিলাৰ আৰক্ষী অধীক্ষকে স্বীকাৰ কৰিছে আৰু এই বিষয়ে তেওঁলোক দুজনৰ বিৰুদ্ধে বিহিত ব্যৱস্থা ল'ব বুলি প্ৰকাশ কৰিছে। আচলতে পুলিচে ইচ্ছা কৰিলে দেশৰ আইন-কানুন কটকটীয়া কৰিব পাৰে। তাৰ প্ৰমাণ বৰ্তমান ড্ৰাগছ জাতীয় বস্তু সঘনে ধৰা পেলোৱাটো। সততে ৰাইজে যিকোনো আইন-শৃংখলা বিঘ্নিত হ'লে পুলিচক সমালোচনা কৰে আৰু কেতিয়াবা চোৰ, গুণ্ডাৰ লগত পুলিচৰ সম্পৰ্ক আছে বুলি অভিযোগ কৰে। ক'ৰবাত সঘনাই চুৰি বা ডকাইতি হৈ থাকিলে পুলিচে যদি দুষ্কৃতিকাৰীক ধৰিব নোৱাৰে তেন্তে ৰাইজৰ চিধা অভিযোগ পুলিচৰ লগত তেওঁলোকৰ গোপন বুজাবুজি আছে। কথাবিলাক একেবাৰে নস্যাৎ কৰিব নোৱাৰি। ৰেলত চোৰাংভাৱে যিমান সোণৰ বিস্কুট বা ড্ৰাগছ জাতীয় বস্তু ধৰা পৰিছিল তাৰ কিছু অংশ এচাম পুলিচে ৰাখি অপৰাধীক এৰি দিয়াটো নিয়মত পৰিণত হৈছিল। তাৰমানে ৰক্ষকেই ভক্ষক। আচলতে প্ৰশাসন বিভাগটো যদি স্বচ্ছ নহয়, তেন্তে দেশৰ আইন-শৃংখলা বিঘ্নিত হোৱাটো একো ডাঙৰ কথা নহয়। ৰাইজ পুলিচৰ লগত আছে আৰু থাকিব। ৰাইজে যদি প্ৰশাসনক সহায় নকৰে, তেন্তে অপৰাধীক ধৰাটো মস্কিল হয়, কিন্তু ৰাইজে খবৰ দিয়াৰ পাছত যদি অপৰাধীৰ লগত পুলিচৰ সুসম্পৰ্ক থাকে, তেতিয়াহ'লে অপৰাধীক ধৰাটো কঠিন। এই বিষয়ে পুলিচ বিভাগৰ সকলো কৰ্মীসকলক লগত লৈ মাজে মাজে নিজৰ কৰ্মৰ ওপৰত পাঠ দিব পাৰিলে ভাল হয়। কাৰণ দেশখন আৰু দেশৰ আইন-শৃংখলা অটুট ৰাখিবলৈ হ'লে পুলিচ বাহিনীৰ কৰ্মনিষ্ঠা খুবেই প্ৰয়োজন। অৱশ্যে সকলো পুলিচ এই ধৰণৰ অপৰাধত জড়িত নহয়। নহ'লে দেশত আইন বোলা বস্তুটো খুবেই নৰম হৈ পৰিলেহেঁতেন। আইন-শৃংখলাৰ প্ৰতি নগাঁৱৰ আৰক্ষী অধীক্ষকে যি ধৰণৰ পদক্ষেপ গ্ৰহণ কৰিছে এয়া সঁচাকৈ প্ৰশংসনীয় কাম। তেওঁৰ দৰে সকলো আৰক্ষী কৰ্মদক্ষ হ'ব বুলি আশা কৰিলো।

**আব্দুল হালিম আহমেদ**

লংকা, হোজাই

ফোন ঃ ৮৬৩৮৯৪৬৬৪৮

# আফগানিস্তানত আমেৰিকাৰ প্ৰস্থান, প্ৰত্যাৱৰ্তন তালিবানৰ

## ইথিওপিয়াত গৃহযুদ্ধই ল'লে পুনৰ ভয়াৱহ ৰূপ



২০২১ বৰ্ষত গৃহযুদ্ধত ৰক্তাক্ত হ'ল ইথিওপিয়া। কে'বা বছৰ ধৰি সামৰিক বাহিনীৰ স'তে দেশখনত টাইগ্ৰে পিপলছ লিবাৰেচন ফ্ৰণ্ট (টি পি এল এফ)ৰ বিদ্ৰোহীয়ে সংঘৰ্ষ অব্যাহত ৰাখিছে। টাইগ্ৰে প্ৰদেশ টি পি এল এফে নিজৰ দখলত ৰাখিছে। ইথিওপিয়াৰ ৰাজনীতিত টাইগ্ৰেৰ প্ৰভাৱ যথেষ্ট। কিন্তু ২০১৮ত ক্ষমতা লাভৰ পাছত টাইগ্ৰেৰ এই প্ৰভাৱ খৰ্ব কৰিবলৈ চেষ্টা চলাইছিল ইথিওপিয়াৰ প্ৰধানমন্ত্ৰী আবি আহমেদে। ২০২০ৰ নৱেম্বৰত টাইগ্ৰেত এক সামৰিক ঘাটিত হঠাতে আক্ৰমণ সংঘটিত হৈছিল। এই ঘটনাৰ পাছতে টি পি এল এফক ক্ষমতাচ্যুত কৰাৰ নিৰ্দেশ দিছিল প্ৰধানমন্ত্ৰীয়ে। কিন্তু শক্তি বৃদ্ধিৰে ৰাজধানী আদিছ আবাবাৰ দখলৰ লক্ষ্যৰে অগ্ৰসৰ হৈছিল টি পি এল এফ। লগে লগে ইথিওপিয়াত বিদায়ী বৰ্ষটোত আৰম্ভ হৈছিল ভয়াৱহ গৃহযুদ্ধ। দেশজুৰি অব্যাহত থকা এই গৃহযুদ্ধত কে'বা লাখ লোকে অনাহাৰ-অৰ্ধাহাৰে বিদায়ী বৰ্ষত জীৱন নিৰ্বাহ কৰিব লগা হৈছে।

## উভতি চাওঁ/বিদেশ




আমেৰিকাৰ ৰাষ্ট্ৰপতি হিচাপে কাৰ্যভাৰ গ্ৰহণৰ পাছতে ২০২১ৰ আৰম্ভণিতে জ' বাইডেনে ঘোষণা কৰি কৈছিল যে আফগানিস্তানৰ পৰা মাৰ্কিন সেনাক সম্পূৰ্ণৰূপে প্ৰত্যাহাৰ কৰা হ'ব। ২০২১ৰ আগষ্টত মাৰ্কিন সেনাই সুদীৰ্ঘ দুই দশকৰ পাছত আফগানিস্তান ত্যাগ কৰে। ১৫ আগষ্ট ২০২১ত কাবুলত প্ৰৱেশ কৰিলে তালিবান বিদ্ৰোহীয়ে। দুই দশকৰ পাছত পুনৰ আফগানিস্তানৰ ক্ষমতা হস্তগত কৰিলে তালিবানে। ইয়াৰ পাছৰে পৰা বৰ্তমানলৈকে আফগানিস্তানত ৰাজনৈতিক-অৰ্থনৈতিক অস্থিৰতা আৰু অশান্তি অব্যাহত আছে। ৯/১১ আক্ৰমণৰ পাছত সন্ত্ৰাসবাদী সংগঠন অল কায়দাৰ বিৰুদ্ধে অভিযান চলোৱাৰ সময়তে তালিবানক কাবুলৰ পৰা উৎখাত কৰি সুদীৰ্ঘ ২০ বছৰ মাৰ্কিন সেনা বাহিনীয়ে আফগানিস্তানত বাহৰ পাতি আছিল। কিন্তু অৱশেষত আফগান যুদ্ধৰ অৱসান ঘটাই ১৫ আগষ্টত আফগানিস্তানৰ পৰা বিদায় ল'লে মাৰ্কিন সেনাই।

## ম্যানমাৰত পুনৰ সামৰিক অভ্যুত্থান



২০২১ বৰ্ষৰ এক উল্লেখনীয় ৰাজনৈতিক ঘটনা হ'ল ম্যানমাৰত পুনৰ সামৰিক শাসন প্ৰৱৰ্তন। বিদায়ী বৰ্ষৰ পহিলা ফেব্ৰুৱাৰীত ম্যানমাৰৰ গণতান্ত্ৰিক নেত্ৰী তথা শান্তিৰ ন'বেলজয়ী আং ছান ছু কীক ক্ষমতাৰ পৰা অপসাৰণ কৰি দেশখনত সামৰিক অভ্যুত্থান ঘটালে জুণ্টাই। বাৰ্মিজ সেনাই ছু কীক ইয়াৰ পাছৰে পৰা গৃহবন্দী কৰি ৰাখে। সামৰিক শাসন প্ৰৱৰ্তনৰ পাছৰে পৰা বৰ্ষটোত গণতন্ত্ৰকামীৰ বিক্ষোভ আৰু দেশজুৰি গৃহযুদ্ধ অব্যাহত আছিল।

## বিদায়ী বৰ্ষত আগ্ৰাসী ৰাছিয়া ঃ যুদ্ধৰ শংকাত ইউক্ৰেইন




ক্ৰিমিয়া দখলৰ পাছত ২০২১ বৰ্ষত যথেষ্ট আগ্ৰাসী হৈ উঠে ৰাছিয়া। ইউক্ৰেইন সীমান্তত লক্ষাধিক সেনাক ৰাছিয়াই হঠাতে নিয়োগ কৰাক লৈ শংকিত হৈ পৰে ইউক্ৰেইন। পূৰ্বৰ ছোভিয়েট ইউনিয়নৰ অন্তৰ্ভুক্ত দেশখনক ৰাছিয়াই পুনৰ দখল কৰিবলৈ যিকোনো মুহূৰ্ততে যুদ্ধৰ পথ গ্ৰহণ কৰিব পাৰে বুলি বিদায়ী বৰ্ষটোত শংকা অব্যাহত আছিল। বিগত কে'বামাহ ধৰি ইউক্ৰেইনৰ পূৰ্বাঞ্চলৰ ম'স্কোপন্থী বিদ্ৰোহী আৰু সামৰিক বাহিনীৰ মাজত তুমুল সংঘৰ্ষ অব্যাহত আছে। ম'স্কোপন্থী বিদ্ৰোহীক সহায়ৰ অছিলাৰে সমগ্ৰ ইউক্ৰেইন ৰাছিয়াই দখল কৰিব পাৰে বুলি আশংকা কৰা হৈছে। ইউক্ৰেইনে বিদায়ী বৰ্ষটোত ঘোষণা কৰি কৈছিল যে ৰাছিয়াই আক্ৰমণ কৰিলে ইয়াৰ উচিত প্ৰত্যুত্তৰ দিবলৈ ইউক্ৰেইন প্ৰস্তুত আছে। ইউক্ৰেইনক আক্ৰমণ কৰিলে আমেৰিকা আৰু মিত্ৰ বাহিনীয়েও নীৰৱে নাথাকিব বুলি ৰাছিয়াক সকীয়াই দিছিল। ফলত দুই মহাশক্তিৰ সংঘাতত বিদায়ী বৰ্ষটোত ইউক্ৰেইন সংকটক লৈ তৃতীয় বিশ্বযুদ্ধৰ শংকাও ঘনীভূত হৈছিল।

## বাংলাদেশত হঠাতে বৃদ্ধি পালে সংখ্যালঘু নিৰ্যাতন



২০২১ বৰ্ষৰ ইতিহাসত অন্যতম এক ক'লা অধ্যায় ৰচিত হ'ল বাংলাদেশত। মৌলবাদীৰ আক্ৰমণত শংকিত হ'ব লগা হ'ল দেশখনৰ সংখ্যালঘু হিন্দুসকল। দুৰ্গোৎসৱৰ সময়তে হঠাতে দেশখনৰ কুমিল্লা জিলাত পূজা মণ্ডপত তাণ্ডৱ চলালে একাংশ দুষ্কৃতিকাৰীয়ে। ইয়াৰ পাছতে বাংলাদেশৰ বিভিন্ন স্থানত থকা মন্দিৰ আৰু হিন্দু সম্প্ৰদায়ৰ বাসগৃহ, ব্যৱসায়ীক প্ৰতিষ্ঠানক আক্ৰমণৰ লক্ষ্য হিচাপে লৈছিল দেশখনৰ সংখ্যাগুৰু মুছলমান মৌলবাদীয়ে। ৰংপুৰৰ পীৰগঞ্জ, নুয়াখালী, ফেনী, চট্টগ্ৰাম, কক্সবাজাৰ, গাজিপুৰ, গোপালগঞ্জসহ বহু জিলাত হিন্দু সম্প্ৰদায়ৰ ওপৰত চলোৱা হ'ল নিৰ্মম অত্যাচাৰ। কেৱল কুমিল্লাতে সংখ্যালঘুক আক্ৰমণৰ ১০২টা গোচৰ ৰুজু কৰাৰ লগতে ২০,৬১৯ জন লোকক অভিযুক্ত কৰা হ'ল। বৰ্তমানলৈকে দেশখনৰ সংখ্যালঘু নিৰ্যাতনৰ ঘটনাত ৫৮৩ জন অভিযুক্তক গ্ৰেপ্তাৰ কৰা হৈছে। এই ঘটনাৰ স'তে পাকিস্তান জড়িত থকা বুলিও দেশখনৰ শাসকীয় দল আৱামী লীগে দাবী কৰিছিল।

# কাপকেক্ কাটি অনাড়ম্বৰ ৮৪ সংখ্যক জন্মদিন পালন ৰতন টাটাৰ



নিউজ ব্যুৰ', মুম্বাই, ৩০ ডিচেম্বৰ ঃ দেশৰ আগশাৰীৰ উদ্যোগপতি তথা টাটা গ্ৰুপৰ মুৰব্বী ৰতন টাটাই নিজৰ ৮৪ সংখ্যক জন্মদিন অতি অনাড়ম্বৰভাৱে পালন কৰিলে। সামাজিক মাধ্যমত টাটাৰ এই জন্মদিন পালনৰ এক ভিডিঅ' শ্বেয়াৰ কৰিছিল ব্যৱসায়ী হৰ্ষ গোয়েনকাই। উক্ত ভিডিঅ'ত টাটাৰ স'তে আছিল যুৱ ব্যৱসায়ী শান্তনু নাইডু। হৰ্ষই এই ভিডিঅ' যোৱা ২৯ ডিচেম্বৰত সামাজিক মাধ্যমত প্ৰচাৰ কৰিছিল। ৩০ ছেকেণ্ডৰ উক্ত ভিডিঅ'ত ৰতন টাটাক শান্তনু নাইডুৰ স'তে জন্মদিন পালন কৰা প্ৰত্যক্ষ হৈছিল। এটা কাপকেকত এডাল জ্বলি থকা মমবাতি ফুমাৰি নুমুৱাই টাটাই তেওঁৰ জন্মদিন পালন কৰে। লগে লগে শান্তনুৱে হাত চাপৰি বজাই টাটাক জন্মদিনৰ শুভেচ্ছা জ্ঞাপন কৰিছিল। উল্লেখ্য যে ১৯৩৭ৰ ২৮ ডিচেম্বৰত ছুৰটত টাটাৰ জন্ম হৈছিল। ১৯৯১ৰ পৰা ২০১২ লৈকে টাটা গ্ৰুপৰ সঞ্চালক হিচাপে কাৰ্যনিৰ্বাহ লাভ কৰিছিল। বৰ্তমানে টাটা গোষ্ঠীৰ সকলোবোৰ দাতব্য ন্যাসৰ অধ্যক্ষ হিচাপে টাটা জড়িত হৈ আছে।

# নিৰ্ধাৰিত সময়তে নিৰ্বাচন হ'ব উত্তৰ প্ৰদেশত

**নিউজ ব্যুৰ' লক্ষ্ণৌ, ৩০ ডিচেম্বৰ ঃ** দেশত পুনৰ বৃদ্ধি পাইছে ক'ভিড-১৯ৰ সংক্ৰমণ। আতংক বৃদ্ধি কৰিছে কৰ'নাৰ নতুন প্ৰজাতি অ'মিক্ৰনৰ দ্ৰুত সংক্ৰমণে। এনে পৰিস্থিতিত উত্তৰ প্ৰদেশত নিৰ্দিষ্ট সময়ত নিৰ্বাচন অনুষ্ঠিত হ'ব নে? এলাহাবাদ উচ্চ ন্যায়ালয়ে বিষয়টো বিবেচনা কৰিবলৈ নিৰ্বাচন আয়োগ আৰু প্ৰধানমন্ত্ৰীক আহ্বান জনাইছিল।



অৱশেষত আজি মুখ্য নিৰ্বাচন আয়ুক্ত সুশীল চন্দ্ৰই কয় যে নিৰ্বাচন স্থগিত ৰখা নহ'ব আৰু কৰ'না বিধি পালনৰে সঠিক সময়তে উত্তৰ প্ৰদেশত নিৰ্বাচন অনুষ্ঠিত হ'ব। আজি লক্ষ্ণৌত এখন সংবাদমেলত চন্দ্ৰই এই কথা প্ৰকাশ কৰি কয় যে উত্তৰ প্ৰদেশৰ সকলো ৰাজনৈতিক দলৰ প্ৰতিনিধিয়ে নিৰ্দিষ্ট সময়ত নিৰ্বাচন অনুষ্ঠিত হোৱাটো বিচাৰিছে আৰু ক'ভিড বিধি পালন কৰি সঠিক সময়ত নিৰ্বাচন অনুষ্ঠিত কৰা হ'ব।

# দুমাহ পাছত দেশৰ দৈনিক সংক্ৰমণ ১৩ হেজাৰ হ'ল, মৃত্যু ২৬৮ জনৰ

**নিউজ ব্যুৰ', নতুন দিল্লী, ৩০ ডিচেম্বৰ ঃ** প্ৰায় দুমাহ পাছত ভাৰতৰ দৈনিক ক'ভিড সংক্ৰমণ ১৩ হেজাৰৰ অধিক হ'ল। যোৱা ২৪ ঘণ্টাত দেশত নতুনকৈ ক'ভিড আক্ৰান্ত হ'ল ১৩,১৫৪ জন লোক। ৰাজ্যসমূহত আক্ৰান্তৰ সংখ্যা বৃদ্ধিৰ ফলত পুনৰ ক'ভিডৰ সংক্ৰমণে বিগত দুদিনত উদ্বেগ বৃদ্ধিৰে ঊৰ্ধ্বগামী হৈছে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ে প্ৰকাশ কৰা অনুসৰি, যোৱা ২৪ ঘণ্টাত এই অতিমাৰীয়ে পুনৰ প্ৰাণ কাঢ়িলে ২৬৮ জন ৰোগীৰ। বৃহস্পতিবাৰে মহাৰাষ্ট্ৰত ক'ভিড আক্ৰান্তৰ সংখ্যা ৩,৯০০ জনলৈ বৃদ্ধি পালে। সংক্ৰমণ প্ৰতিৰোধৰ বাবে ইতিমধ্যে মুম্বাইত ১৪৪ ধাৰা জাৰি কৰা হৈছে। কেৰালাতো তিনি হেজাৰৰ আশে পাশে আছে দৈনিক আক্ৰান্তৰ সংখ্যা। যোৱা ২৪ ঘণ্টাত দিল্লীত ক'ভিড সংক্ৰমিত হ'ল ৯২৩ জন লোক। পশ্চিমবংগত এহেজাৰৰ অধিক, গুজৰাটত ৫৪৮, কৰ্ণাটকত ৫৬৬ আৰু তামিলনাডুত ৭৩৯ জন লোক বিগত ২৪ ঘণ্টাত কৰ'নাত আক্ৰান্ত হ'ল। বৰ্তমানে দেশত ৮২,৪০২ জন সক্ৰিয় ক'ভিড ৰোগী আছে।



# ফ্ৰান্সত প্ৰতি ছেকেণ্ডত দুজন কৰ'নাত আক্ৰান্ত, আমেৰিকাত জানুৱাৰীত সৰ্বাধিক সংক্ৰমণ

**নিউজ ব্যুৰ' পেৰিছ, ৩০ ডিচেম্বৰ ঃ** 'নিউ য়ৰ্ক টাইমছ' কাকতৰ পৰিসংখ্যা অনুসৰি, ফ্ৰান্সত ২৪ ঘণ্টাত ২.০৮ লাখ লোক নতুনকৈ কৰ'নাত আক্ৰান্ত হ'ল। ফ্ৰান্সৰ স্বাস্থ্যমন্ত্ৰী অলিভাৰ বেৰনে আজি এই কথা প্ৰকাশ কৰি কয়, 'ইমান বৃহৎসংখ্যক লোক কৰ'নাত আক্ৰান্ত হোৱাক লৈ আমি হায়ৰান হৈছো। ইয়াৰ অৰ্থ এইটোৱে যে আমাৰ দেশত প্ৰতি ছেকেণ্ডত দুজনকৈ লোক কৰ'নাত সংক্ৰমিত হৈছে।' ইফালে, আমেৰিকাৰ চেণ্ট্ৰেল ডিজিজ কন্ট্ৰ'ল এণ্ড প্ৰিভেনচন (চি ডি চি) বিভাগে এক চাঞ্চল্যকৰ তথ্য প্ৰকাশ কৰিলে। চি ডি চিৰ পৰিসংখ্যা অনুসৰি চলিত সপ্তাহত আমেৰিকাত যিমানসংখ্যক ক'ভিড ৰোগীক চিনাক্ত কৰা হ'ল, সেইসকলৰ ৫৮.৬ শতাংশই হৈছে অ'মিক্ৰনত সংক্ৰমিত। ৰাষ্ট্ৰপতি জ' বাইডেনৰ স্বাস্থ্য উপদেষ্টা এন্থনী ফাঞ্চিয়ে আজি কয় যে বৰ্তমানৰ গতিত সংক্ৰমণ অব্যাহত থাকিলে অহা জানুৱাৰীত আমেৰিকাত অ'মিক্ৰনত আক্ৰান্ত লোকৰ সংখ্যা সৰ্বাধিক হ'বগৈ।



## দেশত অ'মিক্ৰন আক্ৰান্তৰ সংখ্যা ৯৬১ জনলৈ বৃদ্ধি



**নিউজ ব্যুৰ', নতুন দিল্লী, ৩০ ডিচেম্বৰ ঃ** দেশৰ দৈনিক ক'ভিড সংক্ৰমণ বৃদ্ধিৰ লগতে কৰ'নাৰ নতুন প্ৰজাতি অ'মিক্ৰনত আক্ৰান্তৰ সংখ্যাও বৃহস্পতিবাৰে পুনৰ বৃদ্ধি পালে। বৰ্তমানলৈকে ভাৰতত ৯৬১ জন লোক অ'মিক্ৰনত সংক্ৰমিত হ'ল। দিল্লী আৰু মহাৰাষ্ট্ৰত দেশৰ ভিতৰতে সৰ্বাধিকসংখ্যক অমিক্ৰন আক্ৰান্তক চিনাক্ত কৰা হৈছে। কৰ'নাৰ এই নতুন প্ৰজাতিত দিল্লীত ২৬৩ জন আৰু মহাৰাষ্ট্ৰত ২৫২ জন লোক সংক্ৰমিত হৈছে। গুজৰাটত ৯৭, ৰাজস্থানত ৬৯, কেৰালাত ৬৫, তেলেংগানাত ৬২, তামিলনাডুত ৪৫, কৰ্ণাটকত ৩৪, অন্ধ্ৰ প্ৰদেশত ১৬, হাৰিয়ানাত ১২ আৰু পশ্চিমবংগত ১১ জন লোক অ'মিক্ৰনত আক্ৰান্ত হৈছে। দেশৰ মুঠ অ'মিক্ৰন আক্ৰান্তৰ ৩২০ জন ইতিমধ্যে সুস্থ হৈ উঠিছে।

## প্ৰতিষেধকক লৈ বৰ্ষজুৰি বিশ্বত চলিল ব্যাপক অভিযান, তথাপিও অব্যাহত অতিমাৰী



২০১৯ৰ ডিচেম্বৰত বিশ্বত প্ৰথমবাৰ ক'ভিড-১৯ৰ সংক্ৰমণ চীনৰ উহানত চিনাক্ত কৰাৰ পাছত ২০২১ বৰ্ষত ক'ভিড প্ৰতিৰোধৰ বাবে বিশ্বজুৰি ব্যাপক টিকাকৰণ অভিযান চলোৱা হৈছিল। বিদায়ী বৰ্ষটোত ৩০ ডিচেম্বৰলৈকে বিশ্বৰ ১৮৪খন দেশত ক'ভিডৰ ৯.০৯ বিলিয়ন পালি প্ৰতিষেধক প্ৰদান কৰা হ'ল। ব্লুমবৰ্গৰ তথ্য অনুসৰি, আমেৰিকাত বৰ্তমানলৈকে ৫০৬ নিযুত পালি প্ৰতিষেধক প্ৰদান কৰা হৈছে। ইফালে, বিশ্বৰ ভিতৰতে সৰ্বাধিক নাগৰিকক ক'ভিড প্ৰতিষেধক ২০২১ত প্ৰদান কৰা হ'ল চীনত। চীনা নাগৰিকসকলে ৩০ ডিচেম্বৰলৈকে মুঠ ২,৭৯৫,৭১৬,০০০ পালি ক'ভিড প্ৰতিষেধক লাভ কৰিলে। একেদৰে বিশ্বৰ ভিতৰত দ্বিতীয় সৰ্বাধিকসংখ্যক প্ৰতিষেধক লাভ কৰিলে ভাৰতৰ নাগৰিকে। বিদায়ী বৰ্ষত ভাৰতত মুঠ ১,৪৩৮,৫৮২,৮১৭ পালি ক'ভিড প্ৰতিষেধক নাগৰিকসকলক প্ৰদান কৰা হ'ল। কিন্তু তথাপিও বিশ্বত অব্যাহত আছে অতিমাৰী।

## কাশ্মীৰত দুটা পৃথক সংঘৰ্ষত নিহত ছয় জইচ সন্ত্ৰাসবাদী

**নিউজ ব্যুৰ', শ্ৰীনগৰ, ৩০ ডিচেম্বৰ ঃ** কাশ্মীৰ উপত্যকাত সন্ত্ৰাস দমন অভিযানত নামি পুনৰ বৃহৎ সফলতা লাভ কৰিলে নিৰাপত্তা বাহিনীয়ে। বুধবাৰে সন্ধিয়াৰ পৰা দক্ষিণ কাশ্মীৰত দুটা পৃথক সংঘৰ্ষৰ ঘটনাত নিৰাপত্তা বাহিনীয়ে ছজন জইচ সন্ত্ৰাসবাদীক ধৰাশায়ী কৰিলে। নিহতৰ মাজত দুজন পাকিস্তানৰ সন্ত্ৰাসবাদীও আছে। সন্ত্ৰাসবাদীৰে হোৱা এই সংঘৰ্ষত দুজন জোৱান আৰু আৰক্ষী কৰ্মীও আহত হয়। নিহত ছয় সন্ত্ৰাসবাদীৰ চাৰিজনক ইতিমধ্যে চিনাক্ত কৰা হৈছে। নিহত সন্ত্ৰাসবাদীকেইজন পাকিস্তানৰ পৃষ্ঠপোষকতাপ্ৰাপ্ত সন্ত্ৰাসবাদী সংগঠন লস্কৰ-ই-তৈবাৰ সদস্য আছিল।



# বিতৰ্কিত কৃষি আইন প্ৰত্যাহাৰ কেন্দ্ৰৰ, আন্দোলনৰ সমাপ্তি কৃষকৰ

## ৰাষ্ট্ৰীয় ৰাজনীতিত উত্থান মমতা বেনাৰ্জীৰ



২০২১ বৰ্ষৰ ভাৰতীয় ৰাজনীতিত বিৰোধী নেত্ৰী হিচাপে বিশেষ উত্থান লাভ কৰিলে তৃণমূল কংগ্ৰেছৰ মুৰব্বী তথা পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে। বৰ্ষটোত অনুষ্ঠিত হোৱা পশ্চিমবংগ বিধানসভাৰ নিৰ্বাচনত মমতা নেতৃত্বাধীন তৃণমূল কংগ্ৰেছে অভূতপূৰ্ব সফলতা অৰ্জন কৰি পুনৰ ক্ষমতা দখল কৰে। বিধানসভাৰ নিৰ্বাচনত বিপুল জয়ৰ পাছত ৰাষ্ট্ৰীয় ৰাজনীতিত তৃণমূল কংগ্ৰেছৰ ভেটি সবল কৰিবলৈ মমতা সক্ৰিয় হৈ উঠে। অহা বছৰত অনুষ্ঠিত হ'ব লগা পঞ্জাৱ, গোৱা আদি ৰাজ্যৰ বিধানসভা নিৰ্বাচনৰ বাবে তৃণমূল কংগ্ৰেছে ইতিমধ্যে বিশেষ তৎপৰতা প্ৰদৰ্শন কৰিছে। একেদৰে মমতাৰ দলটোৱে ত্ৰিপুৰা আৰু মণিপুৰতো বিদায়ী বৰ্ষত ভেটি সবল কৰিবলৈ উঠি-পৰি লাগিছিল। ৰাষ্ট্ৰীয় ৰাজনীতিত বিদায়ী বৰ্ষটোতে মমতাক দেশৰ বিৰোধীৰ প্ৰকৃত নেত্ৰী তথা প্ৰধানমন্ত্ৰীৰ পদপ্ৰাৰ্থী বুলিও অভিহিত কৰিছিল। মমতাই নিজেও এই বৰ্ষটোতে ইউ পি এৰ অস্তিত্ব অস্বীকাৰ কৰি বিজেপি বিৰোধী শক্তিক নতুন ৰূপত একত্ৰিত কৰি লোকসভাৰ পৰৱৰ্তী নিৰ্বাচনৰ বাবে সাজু হ'বলৈ পৰামৰ্শ দি দেশৰ ৰাষ্ট্ৰীয় ৰাজনীতিত চাঞ্চল্যৰ সৃষ্টি কৰিছিল।


## উভতি চাওঁ/দেশ

কেন্দ্ৰৰ নৰেন্দ্ৰ মোদীৰ চৰকাৰে ২০২১ বৰ্ষৰ অন্তিমভাগত তিনিখন কেন্দ্ৰীয় কৃষি আইন অৱশেষত প্ৰত্যাহাৰ কৰিবলৈ বাধ্য হ'ল। দেশৰ কৃষকৰ স্বাৰ্থ সুৰক্ষাৰ বাবে এই তিনিখন বহু বিতৰ্কিত বিধেয়ক কেন্দ্ৰীয় চৰকাৰে আইনৰূপে বলৱৎ কৰাৰ পাছৰে পৰা দেশৰ মূলত ঃ পঞ্জাৱ, হাৰিয়ানাৰ কৃষকৰ নেতৃত্বত ব্যাপক প্ৰতিবাদী আন্দোলন গঢ় লৈ উঠিছিল। ভাৰতীয় কিষাণ মৰ্চাসহ ২২টা কৃষক সংগঠনে এই বিতৰ্কিত কৃষি আইনক কৃষকৰ স্বাৰ্থ বিৰোধী অভিহিত কৰি আইন প্ৰত্যাহাৰৰ দাবীৰে দিল্লী সীমান্তত অৱস্থান গ্ৰহণ কৰি এবছৰ ধৰি প্ৰতিবাদ অব্যাহত ৰাখিছিল। প্ৰতিবাদী কৃষকে ট্ৰেক্টৰ ৰেলীত অংশ লৈ দিল্লীৰ লালকিল্লাত অপ্ৰীতিকৰ পৰিস্থিতিৰো সৃষ্টি কৰিছিল। কৃষকৰ দীঘলীয়া প্ৰতিবাদৰ অন্তত বিদায়ী বৰ্ষৰ সমাপ্তিত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তিনিখন কৃষি আইন প্ৰত্যাহাৰ কৰাৰ কথা আনুষ্ঠানিকভাৱে ঘোষণা কৰে। দেশৰ সংসদতো তিনিখন আইন প্ৰত্যাহাৰৰ প্ৰস্তাৱ গৃহীত হয়। বিতৰ্কিত কৃষি আইন প্ৰত্যাহাৰ কৰাৰ লগতে মোদী চৰকাৰে কৃষক সংগঠনৰ দাবী অনুসৰি কৃষিজাত সামগ্ৰীৰ বাবে দেশত ন্যূনতম সমৰ্থিত মূল্য (এম এছ পি) নিৰূপণৰ বাবে সমিতি গঠনৰ প্ৰতিশ্ৰুতি দিয়াত আন্দোলনকাৰী কৃষকে আন্দোলন সমাপ্ত কৰাৰ সিদ্ধান্ত লয়। ইয়াৰ পাছতে ডিচেম্বৰৰ আৰম্ভণিতে দিল্লী সীমান্তৰ পৰা নিজ গৃহৰাজ্যলৈ প্ৰত্যাৱৰ্তন কৰিলে প্ৰতিবাদকাৰী কৃষকসকলে।



## আৰিয়ানৰ গ্ৰেপ্তাৰৰ পাছতে ড্ৰাগছ কাণ্ডই জোঁকাৰিলে বলিউডক

বলিউডৰ মহাতাৰকা অভিনেতা শ্বাহৰুখ খানৰ জ্যেষ্ঠ পুত্ৰ আৰিয়ান খানক বিদায়ী বৰ্ষৰ তিনি অক্টোবৰত মুম্বাইৰ পৰা গোৱা অভিমুখী এখন প্ৰমোদতৰীৰ পৰা নাৰ্ক'টিকছ কন্ট্ৰ'ল ব্যুৰ' (এন চি বি)ই গ্ৰেপ্তাৰ কৰাৰ পাছতে নিষিদ্ধ মাদকদ্ৰব্যৰ বিষয়টোৱে আকৌ এবাৰ বলিউডত খলকনি লগাইছিল। আৰিয়ানৰ গ্ৰেপ্তাৰৰ পাছত এন চি বিয়ে বলিউডৰ আন কে'বাজনো তৰুণ প্ৰজন্মৰ অভিনেতা-অভিনেত্ৰীৰ লগতে তাৰকাৰ সন্তানক নিষিদ্ধ ড্ৰাগছৰ একেটা গোচৰত সোধাপোছা কৰিছিল। এমাহতকৈ অধিক দিন মুম্বাইৰ আৰ্থাৰ ৰোড কাৰাগাৰত বন্দী হৈ থকাৰ পাছত অৱশেষত শ্বাহৰুখ পুত্ৰই জামিন লাভ কৰিবলৈ সফল হৈছিল।




## ২০২১ত দেশত বাঘৰ মৃত্যুৰ অভিলেখ, অৰণ্যত মৃত্যু ১২৬টা বাঘৰ



ভাৰতত বিদায়ী বৰ্ষটোত নানা কাৰণত মৃত্যু হ'ল ১২৬টা বাঘৰ। কেন্দ্ৰীয় প্ৰতিষ্ঠান ৰাষ্ট্ৰীয় ব্যাঘ্ৰ সংৰক্ষণ কৰ্তৃপক্ষ (এন পি চি এ)ই আজি এই পৰিসংখ্যা প্ৰকাশ কৰি জনোৱা অনুসৰি, বিগত এক দশকত বাঘৰ বাৰ্ষিক মৃত্যুৰ ক্ষেত্ৰত ২০২১ বৰ্ষত নতুন অভিলেখ ৰচিত হ'ল। চৰকাৰী পৰিসংখ্যাত উল্লেখ কৰা মতে, চোৰাং চিকাৰ, পথ দুৰ্ঘটনা, দলবদ্ধ প্ৰহাৰ, প্ৰাকৃতিক দুৰ্যোগৰ দৰে নানা কাৰণত মৃত্যুমুখত পৰিল ১২৬টা বাঘ। চোৰাং চিকাৰীৰ গুলি, ফান্দ আৰু বিষক্ৰিয়াৰ ফলত বিদায়ী বৰ্ষত মৃত্যু হ'ল ৬০টা বাঘৰ। ২০১৬ত ভাৰতত সৰ্বাধিক ২২১টা বাঘৰ মৃত্যু হৈছিল। ২০২১ বৰ্ষত দেশৰ ভিতৰতে সৰ্বাধিক সংখ্যক বাঘৰ মৃত্যু হ'ল মধ্য প্ৰদেশত। বিগত ১২ মাহত ৰাজ্যখনত ৪১টা বাঘে প্ৰাণ হেৰুৱালে। আনহাতে, বিদায়ী বৰ্ষত মহাৰাষ্ট্ৰত ২৫, কৰ্ণাটকত ১৫, উত্তৰ প্ৰদেশত নটা বাঘৰ মৃত্যু হৈছিল। ২০১৮ বৰ্ষৰ পৰিসংখ্যা অনুসৰি ভাৰতৰ অৰণ্যত ২,৯৬৭ টা বাঘ আছিল আৰু ১২৬ বাঘৰ মৃত্যুৰ পাছতো ২০২১ বৰ্ষত দেশৰ মুঠ বাঘৰ সংখ্যা ৩,০০০ লৈ বৃদ্ধি পালে।


## এইবাৰ মোগলক শৰণাৰ্থী আখ্যা দি বিতৰ্কত অভিনেতা নাছিৰুদ্দিন



নিউজ ব্যুৰ', মুম্বাই, ৩০ ডিচেম্বৰ ঃ বলিউডৰ বৰ্ষীয়ান অভিনেতা নাছিৰুদ্দিন শ্বাহে 'আক্ৰমণকাৰী' মোগলক 'শৰণাৰ্থী' অভিহিত কৰিলে। অভিনেতাজনে কয় যে মোগলে ভাৰতৰ প্ৰতি যথেষ্ট অৱদান আগবঢ়াই গৈছে। মোগলে ভাৰতক অসংখ্য ঐতিহাসিক স্মাৰক আৰু এক গৌৰৱময় ইতিহাস উপহাৰ দিছিল বুলি মন্তব্য কৰি নাছিৰুদ্দিনে কয় যে ভাৰতক সংগীত, নৃত্য, চিত্ৰকলাৰ পৰম্পৰা মোগলে দান কৰিছিল। নাছিৰুদ্দিনে কয়, 'মই টেমূৰ, নাদিৰ শ্বাহৰ কথা নকওঁ, কিয়নো তেওঁলোক আহিছিল আৰু লুটপাত কৰি উভতি গৈছিল। কিন্তু মোগলে আমাক লুট কৰা নাছিল, তেওঁলোকে ইয়াতে আছিল। মোগল ভাৰতলৈ আহিছিল আৰু এই দেশক নিজৰ দেশ হিচাপে গ্ৰহণ কৰিছিল। আপুনি তেওঁলোকক শৰণাৰ্থী বুলি ক'ব পাৰে।' নাছিৰুদ্দিনৰ মোগল বিষয়ক এই মন্তব্যই সামাজিক মাধ্যমত বিতৰ্কৰ সৃষ্টি কৰিছে। এজন সামাজিক মাধ্যম ব্যৱহাৰকাৰীয়ে অভিনেতাজনক কটাক্ষ কৰি কয়, 'মোগলে প্ৰথমে শৰণাৰ্থী হিচাপে আহিছিল আৰু ভাৰতত বসবাস কৰা লোকক পাছত শৰণাৰ্থীত পৰিণত কৰিছিল।'

## পুনৰ পিছুৱালে চি এছ আই আৰ-নেট পৰীক্ষা

**নিউজ ব্যুৰ', নতুন দিল্লী, ৩০ ডিচেম্বৰ ঃ** আকৌ এবাৰ পিছুৱালে নেচনেল টেষ্টিং এজেন্সীয়ে অনুষ্ঠিত কৰা চি এছ আই আৰ-ইউ জি চি নেট পৰীক্ষাৰ দিনক্ষণ। অহা ২৯ জানুৱাৰী, পাঁচ আৰু ছয় ফেব্ৰুৱাৰীত এই পৰীক্ষা অনুষ্ঠিত হোৱাৰ কথা আছিল যদিও এইবাৰ উক্ত পৰীক্ষা অনুষ্ঠিত হ'ব অহা ২৯ জানুৱাৰী আৰু ১৫, ১৮ ফেব্ৰুৱাৰীত। পাঁচ আৰু ছয় ফেব্ৰুৱাৰীত দেশত একাধিক প্ৰতিযোগিতামূলক পৰীক্ষা অনুষ্ঠিত হোৱাৰ প্ৰতি লক্ষ্য ৰাখি চি এছ আই আৰ-নেট পৰীক্ষা পিছুৱাই দিয়াৰ সিদ্ধান্ত লোৱা হ'ল।



## কৃষি বিভাগৰ দুই ঘোচখোৰ বিষয়াক ৰঙাঘৰলৈ প্ৰেৰণ

অগ্ৰদূত বাৰ্তা
**কোকৰাঝাৰ, ৩০ ডিচেম্বৰ ঃ** কোকৰাঝাৰ চহৰৰ মাজমজিয়াৰ ভিআইপি পথৰ দাঁতিত থকা কৃষি বিভাগৰ কাৰ্যবাহী অভিযন্তা কাৰ্যালয়ৰ কণিষ্ঠ অভিযন্তা নীলকণ্ঠ কলিতা আৰু তেওঁৰ সতীৰ্থ জ্যেষ্ঠ সহায়ক সুদীপ দেৱে কৃষি বিভাগৰ আঁচনি আৰু সা-সৰঞ্জুলি দিয়াৰ নামত হিতাধিকাৰীৰ পৰা উৎকোচ লোৱাৰ এক দৃশ্য সামাজিক মাধ্যমত ভাইৰেল হোৱাৰ পাছত আজি দুয়োগৰাকী বিষয়াক কোকৰাঝাৰ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি জেল হাজোতলৈ প্ৰেৰণ কৰে। উল্লেখ্য যে বিটিআৰত কৃষি বিভাগৰ দুই ঘোচখোৰ বিষয়া তথা অভিযন্তা কলিতা আৰু তেওঁৰ সতীৰ্থ জ্যেষ্ঠ সহায়ক দেৱৰ কুকৰ্ম ভেটি লোৱা দৃশ্যই বিটিআৰত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰাত কৃষি বিভাগৰ কাৰ্যবাহী সদস্য ঘনশ্যাম দাসে তদন্তৰ নিৰ্দেশ দিছিল। কিন্তু শেহতীয়াকৈ কোকৰাঝাৰ সদৰ আৰক্ষীয়ে দুৰ্নীতিৰ বিৰুদ্ধে এক গোচৰ ৰুজু (গোচৰ নম্বৰ ৮৮১মৰ্মে ভাৰতীয় দণ্ড বিধিৰ ৪২০/৪০৯/৩৮৪ ধাৰাত) গ্ৰেপ্তাৰ কৰি দুই বিষয়াক আজি সোধ-পোছৰ বাবে মাতি আনি গ্ৰেপ্তাৰ কৰি আদালতত প্ৰেৰণ কৰে আৰু আদালতৰ পৰাই পোনে পোনে জেল হাজোতলৈ প্ৰেৰণ কৰে। উল্লেখ্য যে সুদীৰ্ঘ বছৰ ধৰি কৃষি বিভাগৰ উক্ত অভিযন্তাজনে মুকলিকৈ ধন সংগ্ৰহ ১১ পৃষ্ঠাত চাওক

■ গৰুখুঁটি বহুমুখী কৃষি প্ৰকল্পই ৰাজ্যবাসীলৈ কঢ়িয়ালে আশাৰ ৰেঙণি ■

# দৰঙত উৎপাদিত উৰহী ৰপ্তানি লণ্ডন-ডুবাইলৈ



**মঙলদৈ, ৩০ ডিচেম্বৰ ঃ** পাৰ হ'বলৈ ধৰা ২০২১ত দৰং জিলাত সংঘটিত হ'ল একাধিক ঘটনা, যিবোৰে ৰাজ্যখনলৈও ছটিয়াই দিলে আশাৰ ৰেঙণি। এইবেলি দৰঙত সাৰুৱা ভূমিত ৰচনা হ'ল ব্যতিক্ৰমী সেউজীয়া সপোন। বিশেষকৈ বেদখলকাৰীৰ উচ্ছেদ অভিযান লৈ চৰ্চাৰ কেন্দ্ৰ হৈ পৰা ছিপাঝাৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত গৰুখুঁটিৰ হেজাৰ হেজাৰ বিঘা ভূমিত এতিয়া চলিছে এক নিৰলস কৃষি বিপ্লৱ। এই বিপ্লৱৰ গুৰি বিচাৰি যাব লাগিব বিগত মে'লৈ। দৰঙত নতুনকৈ যোগদান কৰা আৰক্ষী অধীক্ষক সুশান্ত বিশ্ব শৰ্মাৰ দৃষ্টিগোচৰ হয় প্ৰাক-ঐতিহাসিক কালৰ 'ধলপুৰ শিৱধাম'ত হোৱা বেদখলী কাৰ্য। আৰক্ষী অধীক্ষকজনে কৌশলভাৱে মন্দিৰৰ ভূমি বেদখলমুক্ত কৰাৰ সময়তে ওচৰৰে গৰুখুঁটিৰ ৭৭,৪২০ বিঘা মাটি বেদখল হোৱাটো দৃষ্টিগোচৰ হয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ। তাৰ পাছতে তৎকালীনভাৱে চৰকাৰীভাৱে আৰু বিতৰ্কৰ মাজেৰে সম্পন্ন হয় উচ্ছেদ অভিযান। পৰৱৰ্তী সময়ত চতিয়াৰ বিধায়ক পদ্ম হাজৰিকাৰ অধ্যক্ষতাত গঠন হয় গৰুখুঁটি বহুমুখী কৃষি প্ৰকল্প। অনুমোদনো হয় ন কোটি ৬০ লাখ টকা। বিগত ছমাহ ধৰি যুদ্ধকালীন তৎপৰতাৰে এতিয়া ফচল ধৰিছে। গৰুখুঁটিৰ সেউজীয়া হেজাৰ হেজাৰ বিঘা ভূমিৰ তিনি হেজাৰত সৰিয়হ, তিনি হেজাৰত মাটিমাহ, চাৰি হেজাৰত মাকৈ খেতি কৰাৰ উপৰি দুগ্ধ উৎপাদন (শ্বেত বিপ্লৱ)ৰ বাবে গুজৰাটৰ পৰা অনা হৈছে উন্নত প্ৰজাতিৰ ১১০জনী গীৰ গাই। বয়ন কেন্দ্ৰত স্থাপন হৈছে ৫০খন তাঁতশাল। খন্দা হৈছে তিনিটা বৃহদাকাৰৰ পুখুৰী। মুঠতে মুখ্যমন্ত্ৰীৰ সপোনৰ গৰুখুঁটি প্ৰকল্পটি শস্যই-মৎস্যই জীপাল হৈ উঠিছে। আগন্তুক বৰ্ষত সংযোজন হ'ব আৰু ন-ন অধ্যায়। ইপিনে, ধলপুৰ শিৱধাম পৰ্যটকৰ আকৰ্ষণীয় কেন্দ্ৰ ৰূপে গঢ়ি উঠিছে। ন-কৈ সজাই-পৰাই তোলা হৈছে মন্দিৰটি। যাতায়াতৰ বাবে বাট-ঘাট নতুনকৈ নিৰ্মাণ কৰাৰ উপৰি হেলিপেডৰ নিৰ্মাণ কাৰ্যও চলি আছে। সামগ্ৰিকভাৱে এনে পৰিৱেশে হাতবাউলি মাতিছে বনভোজকাৰী আৰু পৰ্যটকসকলক । আনহাতে, দৰঙৰেই খাৰুপেটীয়া ১১ পৃষ্ঠাত চাওক

## ৰোগীৰ মৃত্যুক কেন্দ্ৰ কৰি নগাঁৱৰ চিকিৎসালয়ত নিশা উত্তপ্ত পৰিস্থিতি

বিশেষ সংবাদদাতা
**নগাঁও, ৩০ ডিচেম্বৰ ঃ** নগাঁও ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়ত চিকিৎসাধীন এগৰাকী ৰোগীয়ে চিকিৎসাকৰ্মী আৰু নাৰ্ছৰ হেমাহিৰ বাবেই মৃত্যুক সাবটি লোৱাৰ অভিযোগ তুলি যোৱা নিশা একাংশ লোকে চিকিৎসালয়খনত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰে। উত্থাপিত অভিযোগ মতে, নগাঁও ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়ৰ শল্য বিভাগত এগৰাকী ৰোগীক নিশা বহু পৰ চিকিৎসাৰ পৰিৱৰ্তে বহুৱাই ৰখা হৈছিল এখন হুইল চিয়াৰত। ৰোগীগৰাকীক চোৱা-চিতা কৰিবলৈ নাহিল চিকিৎসালয়খনৰ এগৰাকীও নাৰ্ছ আৰু স্বাস্থ্যকৰ্মী। ফলত প্ৰয়োজনীয় চিকিৎসাৰ অভাৱতেই ৰোগীজনৰ মৃত্যু হোৱা বুলি অভিযোগ উত্থাপন কৰি ৰোগীৰ আত্মীয় আৰু আন একাংশ লোকে উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰে। আনহাতে, নগাঁৱৰ ছহিদ ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়ত একাংশ ৰোগীয়ে ঠাণ্ডা নিৱাৰণৰ বাবে কম্বল এখনো নোপোৱা বুলি অভিযোগ তুলিছে। ফলত এই ৰোগীসকলে জাৰত কম্বল অবিহনেই নিশা কটাবলগীয়া হোৱা বুলিও সাংবাদিকৰ আগত প্ৰকাশ কৰে একাংশ ৰোগীয়ে। উলেখ্য যে মৃত্যু হোৱা ৰোগীজনকো চিকিৎসালয়ত কম্বল প্ৰদান কৰা নাছিল বুলি তেওঁৰ আত্মীয়ই অভিযোগ তুলিছে। ইপিনে, যোৱা নিশা চিকিৎসালয়খনত ৰোগীগৰাকীৰ মৃত্যুক কেন্দ্ৰ কৰি সৃষ্টি হোৱা উত্তপ্ত পৰিস্থিতিৰ সন্দৰ্ভত বাতৰি সংগ্ৰহৰ বাবে যোৱা একাংশ সাংবাদিককো চিকিৎসালয়ত কৰ্তব্যৰত আৰক্ষীয়ে দুৰ্ব্যৱহাৰ কৰাৰ উপৰি সংবাদকৰ্মীৰ কেমেৰা কাঢ়ি নিয়াৰো চেষ্টা কৰিছিল বুলি অভিযোগ উঠিছে।

■২০২১ অপৰাধজনিত ঘটনাৰ বিৰুদ্ধে আৰক্ষীৰ ধাৰাবাহিক অভিযান

## নগাঁৱত ২৮ কোটি টকাৰ হেৰ'ইন জব্দ

বিশেষ সংবাদদাতা
**নগাঁও, ৩০ ডিচেম্বৰ ঃ** ড্ৰাগছ সৰবৰাহ, চোৰাং গৰু সৰবৰাহ, অবৈধ অস্ত্ৰ সৰবৰাহ আদিকে ধৰি বিভিন্ন অপৰাধজনিত ঘটনা ৰোধৰ ক্ষেত্ৰত নগাঁও জিলাত আৰক্ষীয়ে অতি কঠোৰ অভিযান অব্যাহত ৰাখিছে। নগাঁও আৰক্ষীয়ে এইবোৰ সম্পূৰ্ণৰূপে বন্ধ কৰিব পৰা নাই যদিও ২০২১ বৰ্ষটোত যথেষ্ট সফলতাও লাভ কৰিছে। নগাঁও আৰক্ষীৰ তথ্য অনুসৰি, জিলাখনৰ বিভিন্ন স্থানত ড্ৰাগছ সংক্ৰান্তীয় গোচৰত মুঠ ৫৫৪ জনক গ্ৰেপ্তাৰ কৰা হৈছে। এই সংক্ৰান্তত ২৫৮টা গোচৰ ৰুজু হৈছে। ইয়াৰ ভিতৰত ২৩০টা গোচৰৰ অভিযোগ নামা ইতিমধ্যে আদালতত দাখিল কৰা হৈছে। আৰক্ষীয়ে এই সময়ছোৱাত প্ৰায় চাৰি কিলোগ্ৰাম হেৰ'ইন জব্দ

### ১১ টাকৈ এনকাউণ্টাৰৰ ঘটনা

কৰিছে। জব্দকৃত হেৰ'ইনখিনিৰ মূল্য প্ৰায় ২৮ কোটি টকা হ'ব। তদুপৰি ৩৩০ কিলোগ্ৰাম ব্ৰাউন ছুগাৰ জব্দ কৰিছে। জব্দ কৰা ব্ৰাউন ছুগাৰৰ মূল্য প্ৰায় তিনি কোটি টকা হ'ব। লগতে আৰক্ষীয়ে বিভিন্ন স্থানত অভিযান চলাই ২০৪ কিলোগ্ৰাম গাঞ্জা জব্দ কৰিছে। নগাঁও আৰক্ষীয়ে চাৰি লাখ ১৯ হেজাৰ নিচাযুক্ত কেপছুল জব্দ কৰাৰ লগতে ১৪ হেজাৰ ৫৩৭ বটল কফ চিৰাফ জব্দ কৰিছে। ধৃত ড্ৰাগছ ব্যৱসায়ীৰ পৰা আৰক্ষীয়ে মুঠ আঠ লাখ ৬১ হেজাৰ ৬৬১ টকা নগদ ধনো জব্দ কৰিবলৈ সক্ষম হৈছে। ইয়াৰ উপৰি ৫৫৬খন গাঞ্জা জব্দ কৰিছে। এই সময়ছোৱাত আৰক্ষীয়ে উত্তৰ পূৰ্বাঞ্চলৰ কুখ্যাত ড্ৰাগছ মাফিয়া আৰ কে হপকিঞ্চনক গ্ৰেপ্তাৰ কৰিছিল। অসমৰ ভিতৰত নগাঁও জিলাতে প্ৰথমটো এনকাউণ্টাৰৰ ঘটনা সংঘটিত হৈছিল। আৰক্ষীৰ গুলিত আহত হৈছিল মনচুৰ আলী নামৰ এজন কুখ্যাত ড্ৰাগছ মাফিয়া। যোৱা ২৯ মে'ত এই ঘটনা সংঘটিত হৈছিল। এই দুটা অভিযান নগাঁও জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক (সদৰ) ধ্ৰুৱ বৰাৰ নেতৃত্বত হৈছিল। আৰক্ষীয়ে মনচুৰ আলীৰ পৰা পিষ্টল আৰু চাৰি বাকচ হেৰ'ইন জব্দ কৰিছিল। তদুপৰি ১১টা এনকাউণ্টাৰৰ ঘটনা বিগত সময়ছোৱাত নগাঁও আৰক্ষীৰ ১১ পৃষ্ঠাত চাওক

## তেজপুৰৰ স্বভাৱজাত শিল্পী দীপক ৰাজখোৱাৰ অকাল বিয়োগ



অগ্ৰদূত বাৰ্তা
**তেজপুৰ, ৩০ ডিচেম্বৰ ঃ** নিজস্ব প্ৰতিভাৰে সমুজ্জ্বল, নীৰৱে সুদীৰ্ঘকাল শিল্প সাধনা তেজপুৰৰ ভাস্কৰ দীপক ৰাজখোৱা(৫৫)ৰ বিয়োগে চহৰখনত শোকৰ ছাঁ পেলাইছে। বিভিন্ন সামাজিক কামৰ লগতে এসময়ত একাধিক নাটকতো অভিনয় কৰা ৰাজখোৱা ভাস্কৰ তথা স্থাপত্য শিল্পীৰূপে অধিক পৰিচিত আছিল। মৃত্যুৰ সময়লৈকে জাতীয়তাবাদী ধাৰাত দৃঢ় হৈ থাকি কোনোদিনেই আপোচ নকৰা ৰাজখোৱাৰ আজি পুৱা ৪-৩০ বজাত তেজপুৰৰ এখন চিকিৎসালয়ত বিয়োগ ঘটে। ১৯৬৬ৰ ১১ ফেব্ৰুৱাৰীত তেজপুৰত জন্মগ্ৰহণ কৰা ৰাজখোৱাই কলিবাৰী প্ৰাথমিক বিদ্যালয়ত শিক্ষা জীৱন আৰম্ভ কৰি পৰৱৰ্তী সময়ত তেজপুৰ কলেজিয়েট হাইস্কুলৰ পৰা শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হয়। সেই সময়তে ক্ৰীড়া আৰু নাটকত অভিনয় কৰি নিজা প্ৰতিভা প্ৰদৰ্শন কৰিবলৈ সক্ষম হোৱা ৰাজখোৱাই ইয়াৰ পাছতে তেজপুৰৰ কাৰিকৰী প্ৰশিক্ষণ প্ৰতিষ্ঠানত কাৰিকৰী শিক্ষা গ্ৰহণ কৰে। অসমৰ পৰা অবৈধ বিদেশী বহিষ্কাৰৰ দাবীত হোৱা ১১ পৃষ্ঠাত চাওক

## আৰক্ষীৰ চৰম ব্যৰ্থতাৰে পাৰ হ'ল এটা বছৰ

### কুলা ল'ৰাৰ ক'লা অধ্যায়ে ক'লা কৰিলে যোৰহাটৰ ২০২১ বৰ্ষ ঃ দুটাকৈ নৌকা দুৰ্ঘটনাই জোকাৰি গ'ল যোৰহাটক

ষ্টাফ ৰিপ'ৰ্টাৰ
**যোৰহাট, ৩০ ডিচেম্বৰ ঃ** আৰু মাথোঁ এটা সূৰ্যোদয়ৰ পাছতে অন্ত পৰিব ঘটনাবহুল ২০২১। বছৰৰ শেষ প্ৰান্তত বৈ ঘূৰি চোৱাৰ সময় সমাগত। সময়ৰ লেখেৰে ৩৬৫ দিন বৰ বেছি দিন নহয় যদিও মহাকালৰ গৰ্ভত হেৰাই যাব ধৰা ২০২১ত যোৰহাটক এই দৃষ্টিৰেই উভতি চোৱাৰ প্ৰয়াস কৰা হৈছে। নিঃসন্দেহে ২০২১টোক বহু আশাৰ বছৰৰূপে লৈছিল যদিও শেষ পৰ্যন্ত যোৰহাটবাসীৰ সেই আশা পূৰণ নহ'ল। তাৰ বিপৰীতে বিগত এটা বৰ্ষত হা-হুমুনিয়াহ, উদ্বেগ-যন্ত্ৰণা, বঞ্চনা আৰু লোকলজ্জাৰ মাজেৰে দিন অতিবাহিত কৰিবলগীয়া হ'ল যোৰহাটবাসীয়ে। সেয়ে যোৰহাটবাসীৰ বাবে ২০২১ বৰ্ষটো 'ক'লাবৰ্ষ'ৰূপেই মানসপটত চিহ্নিত হৈ থাকিব।

নতুন বৰ্ষক আদৰাৰ পৰ্ব অন্ত পৰাই নাছিল, ২৬ জানুৱাৰীত ব্ৰহ্মপুত্ৰৰ বালিচৰত সংঘটিত হ'ল শোকাবহ নাও দুৰ্ঘটনা। নগৰৰ পৰা ১৫ কিলোমিটাৰ নিলগৰ ব্ৰহ্মপুত্ৰৰ চাপৰিত অৱস্থিত বাঘমৰা উইণ্টাৰ কাৰ্ণিভেলত পিকনিক খাবলৈ যোৱা শিশুসহ এটা পৰিয়ালৰ চাৰিজনৰ সলিল সমাধি ঘটিল। এখন টুলুঙা নাৱত ১৩জন লোকে উঠি দিয়াৰ পৰিণতিতে সংঘটিত হয় সেই হৃদয়বিদাৰক দুৰ্ঘটনা। বছৰটো নুঘূৰিল, পুনৰ ঘটিল আন এক কৰুণ নৌকা দুৰ্ঘটনা। ন ছেপ্টেম্বৰত ঐতিহাসিক নিমাতিঘাটত সংঘটিত সমগ্ৰ দেশ কঁপাই যোৱা এই দুৰ্ঘটনাত তিনিজন যাত্ৰীৰ কৰুণ মৃত্যু হয়। প্ৰশাসনিক দুৰ্বলতা আৰু একাংশ ধুৰন্ধৰ চৰকাৰী কৰ্মচাৰীৰ বাবেই সংঘটিত এই ভয়াৱহ দুৰ্ঘটনাৰ কথা আজিও পাহৰিব পৰা নাই কোনেও। ভয়াৱহ দুৰ্ঘটনাটোৰ সন্তাপ দূৰ হ'ল কি নহ'ল, শিক্ষিত আৰু সংস্কৃতিবান লোকৰ ১১ পৃষ্ঠাত চাওক

## শিক্ষকৰ আৰ্জিত ছুটী ২৪ দিন ঃ হাইস্কুল শিক্ষক সংস্থাৰ প্ৰতিক্ৰিয়া

বিশেষ সংবাদদাতা
**বৰপেটা, ৩০ জানুৱাৰী ঃ** অসম হাইস্কুল শিক্ষক সংস্থাই দীৰ্ঘদিন ধৰি ৰাজ্যখনৰ শিক্ষকসকলৰ আৰ্জিত ছুটী ১০ দিনৰ পৰিৱৰ্তে ত্ৰিশ দিন কৰাৰ বাবে দাবী জনাই অহা পাছতো একাংশ শিক্ষকে সংবাদ মাধ্যমত শিক্ষকসকলৰ বাবে আৰ্জিত ছুটী ২৪ দিন হ'ব বুলি কৰা ঘোষণাত অসম হাইস্কুল শিক্ষক সংস্থাই তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। আজি সংবাদ ১১ পৃষ্ঠাত চাওক

## দুদু কল'নীৰ উচ্ছেদ সন্দৰ্ভত কৰা আমছু নেতাৰ মন্তব্যৰ বিৰোধিতা কাৰ্বি ছাত্ৰ সন্থাৰ

**ডিফু, ৩০ ডিচেম্বৰ ঃ** ৰাজ্য চৰকাৰৰ নিৰ্দেশনাত ৰাজ্যৰ বিভিন্ন প্ৰান্তত অবৈধভাৱে দখল কৰি থকা ভূমি দখল মুক্ত কৰাৰ বাবে উচ্ছেদ অভিযান অব্যাহত আছে। এনে অভিযানৰ অংশ হিচাপে কাৰ্বি আংলঙৰ অসম-নগালেণ্ডৰ সীমান্তৱৰ্তী লাহৰীজানৰ দুদু কল'নীতো যোৱা 20আৰু 24 ডিচেম্বৰত দুটা পৰ্যায়ত উচ্ছেদ অভিযান চলোৱা হয়। কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ ৰাজহ বিভাগৰ দ্বাৰা প্ৰশাসনৰ সহযোগত চলোৱা অভিযানৰ ফলত সেই স্থানত অবৈধভাৱে ভূমি দখল কৰি বসবাস কৰি থকা 250টা পৰিয়ালৰ 350 টাৰো অধিক বাসগৃহ উচ্ছেদ হয়। এই উচ্ছেদ অভিযানৰ পাছতে সংখ্যালঘু ছাত্ৰ সংগঠনৰ নেতৃত্বই এই সন্দৰ্ভত প্ৰদান কৰা প্ৰৰোচনামূলক মন্তব্যৰ তীব্ৰ বিৰোধিতা কৰিছে কাৰ্বি ছাত্ৰ সন্থাৰ দুটাকৈ গোটে। কালি ডিফুত কাৰ্বি আংলং জিলা প্ৰেছ ক্লাবত সংবাদমেল আয়োজন কৰি ছাত্ৰ সংগঠনটোৰ ইংলং ফ' আৰু ছিমিয়ন ৰংফাৰ গোটে এনে মন্তব্যক দুৰ্ভাগ্যজনক আখ্যা দিয়াৰ লগতে এনে উচ্ছেদৰ জৰিয়তে কোনো নিৰ্দিষ্ট সম্প্ৰদায়ৰ লোকক লক্ষ্য কৰি নোলোৱা বুলি মন্তব্য আগবঢ়ায়। কাৰ্বি ছাত্ৰ সন্থাৰ নেতৃত্বই পৰিষদৰ ভূমিত অবৈধভাৱে দখল কৰি থকা লোককহে পৰিষদৰ তৰফৰ পৰা উচ্ছেদ চলোৱা বুলি উল্লেখ কৰি ছাত্ৰ সংগঠনসমূহে কাৰ্বি আংলঙৰ বিভিন্ন স্থানত অবৈধ দখলকাৰীৰ বিৰুদ্ধে অভিযান চলাবলৈ পৰিষদক আহ্বান জনাই অহা বুলি জানিব দিয়ে। এনে আহ্বানৰ অংশ হিচাপে পৰিষদৰ তৰফৰ পৰা দুদু কল'নীত চলোৱা উচ্ছেদৰ ১১ পৃষ্ঠাত চাওক

## হোজাইত পথৰ ভূমি বেদখল ঃ উচ্ছেদৰ নিৰ্দেশ

অগ্ৰদূত বাৰ্তা
**হোজাই, ৩০ ডিচেম্বৰ ঃ** হোজাইৰ পূব ধ্বনিৰাম পথাৰ তেলিবস্তি সংযোগী ডনবস্ক' স্কুলৰ সমীপৰ পৰা তেলিবস্তিলৈকে যোৱা পিএমজিএছৱাই পথত বৰ্তমান চলি থকা উন্নয়নমূলক কামৰ অগ্ৰগতিৰ বুজ ল'বলৈ আজি হোজাইৰ স্থানীয় বিধায়ক ৰামকৃষ্ণ ঘোষ পথটো পৰিদৰ্শন কৰে। বিধায়কজনে পথৰ গাতে বসবাস কৰি থকা লোকসকলৰ লগত মত বিনিময় কৰি পথটোৰ উন্নয়নমূলক কামৰ স্বাৰ্থত যিসকলে পথৰ ভূমি বেদখল কৰি ৰাখিছে তেওঁলোকক কাইলৈ পুৰা পথৰ ভূমি এৰি দিবলৈ আহ্বান জনায়। স্থানীয় ৰাইজৰ অধিকাংশই চক্ৰ বিষয়াৰ জৰিয়তে জোখ-মাখ কৰাই পথৰ বেদখল হৈ থকা ভূমি বেদখলমুক্ত কৰিবলৈ অনুৰোধ জনোৱাত বিধায়কজনে হোজাই ৰাজহ চক্ৰ বিষয়াৰ লগতে গড়কাপ্তানী বিভাগৰ বিষয়াৰ লগত ফোনত কথা পাতি কাইলৈ পথৰ ভূমি বেদখলমুক্ত কৰিবলৈ নিৰ্দেশ দিয়ে। চক্ৰ বিষয়া কাইলৈ পথৰ জোখ-মাখ কৰি পথৰ বেদখলমুক্ত কৰিব বুলি আশ্বাস দিয়ে।

## লালুকত ২০ কিলোগ্ৰাম গাঞ্জা জব্দ ঃ গ্ৰেপ্তাৰ এক

অগ্ৰদূত বাৰ্তা
**লালুক, ৩০ ডিচেম্বৰ ঃ** লালুক থানাৰ অন্তৰ্গত আজাদ তিনিআলিত আজি বিয়লি লালুক আৰক্ষীয়ে এজন গাঞ্জা ব্যৱসায়ীক গ্ৰেপ্তাৰ কৰাৰ লগতে ২০ কিলোগ্ৰাম গাঞ্জা জব্দ কৰিবলৈ সক্ষম হয়। ঘটনাৰ সন্দৰ্ভত লালুক থানাৰ ভাৰপ্ৰাপ্ত বিষয়া নয়নজ্যোতি দাসে সদৰী কৰা মতে, আজি বিয়লি লালুকৰ পৰা এ-এছ ০৭-চি-৭০১৬ নম্বৰৰ টেম্প'খনেৰে লালুক বিহপুৰীয়া সংযোগী পথেৰে গাঞ্জাখিনি কঢ়িয়াই নি থকা অৱস্থাত আজাদ তিনিআলিত আৰক্ষীৰ তালাচীত গাঞ্জাসহ এজন গাঞ্জা ব্যৱসায়ী আৰক্ষীৰ জালত পৰে। তিনিটা বেগত কঢ়িয়াই অনা গাঞ্জা ব্যৱসায়ীজন ৰফিকুল ইছলাম (২০) বুলি আৰক্ষীয়ে সদৰী কৰিছে। ৰফিকুল ইছলাম লালুক থানাৰ অন্তৰ্গত দুই নম্বৰ কেহুতলি গাঁৱৰ আব্দুল ১১ পৃষ্ঠাত চাওক

■ কৃষি মহাবিদ্যালয় স্থাপনৰ বাবে স্থান পৰিদৰ্শন

## ককলাবাৰী সমষ্টিৰ উন্নয়নমূলক কাম-কাজৰ বুজ ল'লে বড়োৱে




অগ্ৰদূত বাৰ্তা
**শালবাৰী, ৩০ ডিচেম্বৰ ঃ** বিটিএডিৰ অন্তৰ্গত বাগ্‌সা জিলাৰ ককলাবাৰী পৰিষদীয় সমষ্টিৰ বিভিন্ন স্থানত আবণ্টিত চৰকাৰী আঁচনিসমূহ আজি বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য বড়োৱে পৰিদৰ্শন কৰি আঁচনিসমূহৰ বুজ লয়। বিটিআৰ প্ৰধান প্ৰমোদ বড়োৱে প্ৰথমে খাগ্ৰাবাৰীত নিৰ্মাণ কৰা এটি ৰাস্তা পৰিদৰ্শন কৰি ককলাবাৰী ডিগ্ৰী মহাবিদ্যালয়ত উপস্থিত হয় আৰু মহাবিদ্যালয়লৈ আবণ্টিত এক কোটি টকাৰ প্ৰথম ৫০ লাখ টকাৰ কামৰ অগ্ৰগতিৰ বুজ লয়। ইয়াৰ পাছত বড়োৱে বিটিচিৰ গড়কাপ্তানী বিভাগৰ সচিবৰ সহিতে গড়কাপ্তানী বিভাগৰ অভিযন্তা আৰু আধৰুৱা কামৰ ঠিকাদাৰসকলৰ স'তে এখন সভাত অংশগ্ৰহণ কৰে। উক্ত সভাত অংশগ্ৰহণ কৰাৰ প্ৰাকক্ষণত বড়োৱে কয়, 'ৰাস্তা নিৰ্মাণৰ বাবে ইতিমধ্যে আবণ্টিত কামৰ ওপৰত আলোচনা কৰাৰ উপৰি ভোগপুৰত আমি আৰম্ভ কৰিবলৈ লোৱা হেণ্ডুলুম ক্লাষ্টাৰ স্থান পৰিদৰ্শন কৰিম। ইয়াৰ জৰিয়তে সেই ঠাইত থকা বড়ো আৰু অসমীয়াৰ দুশগৰাকী মহিলাক নিয়োগ কৰি কামটো কৰা হ'ব।' ইয়াৰ পাছত বড়োৱে ভোগপুৰলৈ গৈ হ'বলগীয়া হেণ্ডুলুম ক্লাষ্টাৰ স্থান পৰিদৰ্শন কৰি দিহিৰা পামৰ ফালে ককিলাবাৰী কৃষিপাম পৰিদৰ্শন কৰে। উল্লেখ্য যে ইতিমধ্যে আবণ্টিত কৃষি মহাবিদ্যালয়খন ককিলাবাৰী পামৰ কাৰ্যালয়ৰ ওচৰত ১১ পৃষ্ঠাত চাওক

বেলশৰত ১০ দিনীয়া আৱাসিক বৈদিক কৰ্মশালাৰ সামৰণি

## ব্ৰাহ্মণসকল সদায়ে প্ৰাপ্যৰ পৰা বঞ্চিত হৈছে ঃ শৰ্মা

অগ্ৰদূত বাৰ্তা
**চামতা, ৩০ ডিচেম্বৰ ঃ** নলবাৰী জিলা ব্ৰাহ্মণ সমাজৰ উদ্যোগত তথা সত্যমায়া বৈদিক সাংস্কৃতিক ক্ষেত্ৰৰ সৌজন্যত বেলশৰৰ ঐতিহাসিক শ্ৰীশ্ৰীবিলড়েশ্বৰ দেৱালয় প্ৰাংগণত যোৱা ২১ ডিচেম্বৰৰ পৰা ১০ দিনীয়া বিস্তৃত কাৰ্যসূচীৰে অনুষ্ঠিত আৱাসিক বৈদিক কৰ্মশালাৰ আজি সন্ধিয়া সফল সামৰণি পৰে। এই উপলক্ষে আজি বিয়লি তিনি বজাত নলবাৰী জিলা ব্ৰাহ্মণ সমাজৰ সভাপতি ড° দীনমণি ভাগৱতীৰ পৌৰোহিত্যত সম্পন্ন হোৱা কৰ্মশালাৰ সামৰণি অনুষ্ঠানত প্ৰাক্তন বিধায়ক অশোক শৰ্মা, কনক চন্দ্ৰ শৰ্মা, অমূল্য নাথ শৰ্মা, অজিত শৰ্মা, বিলড়েশ্বৰ দেৱালয়ৰ দলৈ ৰঞ্জিত মিশ্ৰ আৰু ব্ৰাহ্মণ সমাজৰ কাৰ্যালয়ৰ ভূমি দাতা নৰদেৱ শৰ্মাই অতিথিৰূপে অংশগ্ৰহণ কৰি বক্তব্য আগবঢ়ায়। প্ৰাক্তন বিধায়ক অশোক শৰ্মাই কয় যে, 'ব্ৰাহ্মণ সমাজ এতিয়া সজাগ হ'বৰ হ'ল। আমাৰ ব্ৰাহ্মণসকলক একাংশ ৰাজনীতিকে ৰাজনৈতিক ক্ষেত্ৰখনত ব্যৱহাৰ কৰি আহিছে যদিও পাছত প্ৰাপ্য লাভৰ পৰা ব্ৰাহ্মণসকল বঞ্চিত হ'ব লগাত পৰে।' উক্ত সভাত প্ৰশিক্ষাৰ্থী, বিপ্ৰ তৰুণ শৰ্মা, হীৰেণ মিশ্ৰ আৰু সমজুৱাৰ ফালৰ পৰা যুৱ-লেখক, কবি দ্বীপেন মেনাই আৱাসিক বৈদিক কৰ্মশালাখনৰ প্ৰয়োজনীয়তা, গুৰুত্ব সন্দৰ্ভত বক্তব্য প্ৰদান কৰি উদ্যোক্তা তথা অংশগ্ৰহণকাৰী সকলক অভিনন্দন জনায়। উক্ত অনুষ্ঠানৰ আৰম্ভণিতে বেলশৰ আঞ্চলিক ব্ৰাহ্মণ সমাজৰ মুখ্য উপদেষ্টা কনক চন্দ্ৰ শৰ্মাই বন্তি প্ৰজ্বলন কৰে। অনুষ্ঠানটোত স্থানীয় বিধায়ক তথা মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে আগবঢ়োৱা 'পুৰোহিত দৰ্পণ' আৰু 'শ্ৰীশ্ৰী চণ্ডী' নামৰ দুখন গ্ৰন্থ প্ৰশিক্ষাৰ্থীসকলৰ মাজত বিতৰণ কৰা হয়। বৈদিক কৰ্মশালা পৰিচালনা সমিতিৰ সম্পাদক দ্বীপজ্যোতি বৰপূজাৰীয়ে আঁতধৰা অনুষ্ঠানত অশোক শৰ্মা, ক্ষীৰোদ পাটোৱাৰী, বিৰেণ বৰ্মন, ৰঞ্জিত মিশ্ৰ, দীনমণি ভাগৱতী আদি সুধিগনে দক্ষিণা প্ৰদান আৰু বস্ত্ৰ প্ৰদান কৰে। আৱাসিক কৰ্মশালাৰ সন্ধিয়া আৰতি প্ৰতিযোগিতাত শ্ৰেষ্ঠ স্থান লাভ কৰা প্ৰশিক্ষাৰ্থীক্ৰমে চম্পক শৰ্মা, হৰজ্যোতি শৰ্মা, প্ৰদীপ শৰ্মা, প্ৰণৱ শৰ্মা আৰু নৱজিৎ শৰ্মাক অনুষ্ঠানত পুৰস্কাৰ প্ৰদান কৰে। দ্বীপজ্যোতি বৰপূজাৰীৰ নেতৃত্বত এদল প্ৰশিক্ষাৰ্থীয়ে পৰিৱেশন কৰা মংগলাচৰণ অনুষ্ঠানে অনুষ্ঠানটো জীপাল ১১ পৃষ্ঠাত চাওক





## গৰ্ব-লজ্জা, প্ৰাপ্তি-সমস্যাৰে পাৰ হ'ল নলবাৰীবাসীৰ ২০২১ বৰ্ষ

■ আব্দুল মজিদ
**নলবাৰী,** ৩০ ডিচেম্বৰ ঃ অনেক আশা- ভৰসাৰে পহিলা জানুৱাৰীৰ পৰা আৰম্ভ হয় প্ৰতিটো ইংৰাজী বৰ্ষ। প্ৰায় প্ৰতিজনে নিজস্বভাৱে কিছু পৰিকল্পনাৰে আৰম্ভ কৰে এটা নতুন বছৰ আৰু শেষত বিশেষকৈ ডিচেম্বৰৰ অন্তিম দিনটোতে হয় পোৱা-নোপোৱা, উৎসাহ-হতাশাৰ হিচাপ-নিকাচ। সকলোৰে মাজত এনে হিচাপ-কিচ যেন একপ্ৰকাৰ পৰম্পৰা হৈ পৰিছে। যদিও সামগ্ৰিকভাৱে লজ্জা, হতাশগ্ৰস্ততাৰেই বেছিভাগে বিদায় দিবলগীয়া হয় বহু আশা-পৰিকল্পনাৰ এনে একো একোটা বছৰ। ২০২১ বৰ্ষও ব্যতিক্ৰম নহ'ল ইয়াৰ পৰা। নলবাৰীবাসীৰ বাবে একপ্ৰকাৰ হতাশগ্ৰস্ততাৰেই ২০২১ বৰ্ষটো কাইলৈ সম্পূৰ্ণ হ'ব। অৱশ্যে ইয়াৰ মাজতে দুই-এক ইতিবাচক খবৰেও নলবাৰীবাসীক বহুখিনি হেৰুওৱাৰ পাছতো যেন দি থৈ গ'ল কিছু প্ৰাপ্তি।

নলবাৰীবাসীৰ বাবে বছৰটোৰ ২৯ ডিচেম্বৰৰ দিনটো আছিল এক বিশেষ দিন। বিগত দুটা বছৰে কৰ'নাকালীন পৰিস্থিতিয়ে ৰাজ্যবাসীক হাবু-ডুবু খুৱাই থাকিল। ইয়াৰ বিপৰীতে ২৯ ডিচেম্বৰৰ দিনটোত এজনো কৰ'না ৰোগী নোহোৱাকৈ বিগত দুটা বছৰৰ ভিতৰত বিশেষ দিনৰূপে পৰিগণিত হল। নলবাৰী ছহিদ মুকুন্দ কাকতি অসামৰিক চিকিৎসালয়ৰ চিকিৎসক কামেশ্বৰ লহকৰে কালি ৰাজহুৱাভাৱে প্ৰকাশ কৰে এই কথা। আনহাতে, চৰকাৰী সূত্ৰত প্ৰকাশ পাইছে যে ২৯ ডিচেম্বৰ পৰ্যন্ত জিলাখনত ৯৯.৯৯ শতাংশ প্ৰথম পালি টিকাকৰণ সম্পূৰ্ণ হৈ উঠাৰ লগতে ৭৩.৭২ শতাংশ দ্বিতীয় পালি টিকাকৰণ সম্পূৰ্ণ কৰা হৈছে।

ইপিনে, ক্ৰীড়াক্ষেত্ৰত ২০২১ বৰ্ষ আছিল নলবাৰীৰ বাবে গৌৰৱৰ। জিলাখনৰ দুজনকৈ প্ৰবীণ খেলুৱৈ অজিত কুমাৰ শৰ্মা আৰু প্ৰণীতা বাৰ্মাই সংযুক্ত ভাৰতীয় আয়োজক খেল ফাউণ্ডেছনে শ্ৰীলংকাৰ কলম্বিয়া চহৰত অনুষ্ঠিত কৰা মাষ্টাৰ্ছ এথলেটিক্‌ছত অংশ লৈ দুটা ইভেণ্টত চাৰিটাকৈ সোণৰ পদক লাভ কৰি সমগ্ৰ দেশকে গৌৰৱান্বিত কৰে। ইয়াৰ শৰ্মাই ৬৫ বছৰৰ ঊৰ্ধ্বত আৰু বাৰ্মাই ৪৫ বছৰৰ ঊৰ্ধ্বত অংশগ্ৰহণ কৰিছিল।

সাংস্কৃতিক ক্ষেত্ৰত ২০১২ বৰ্ষত জিলাখনলৈ গৌৰৱ কঢ়িয়াই আনিছে 'চিফুং দ্য আৰ্টিষ্ট' নামৰ সাংস্কৃতিক গোষ্ঠীটোৱে। ২০১০ৰ পৰাই সন্ত্ৰাস অধ্যুষিত বিটিএডিত মূলতঃ জনজাতীয় ল'ৰা-ছোৱালীৰ প্ৰতিভা বিকাশৰ বাবে এখন মঞ্চ দিয়াৰ বাবে নাট্যকৰ্মী পৱী শৰণীয়াৰ নেতৃত্বত গঠন হোৱা এই গোষ্ঠীটোৰ 'ঠেং ফাখৰ" নামৰ নাটকখনে এইবাৰ ৰাষ্ট্ৰীয় বিদ্যালয়ৰ ভাৰত ৰংগ মহোৎসৱলৈ নিৰ্বাচন লাভ কৰিছে। আনহাতে, ক'ভিড পৰিস্থিতিৰ বাবে দুবছৰ ধৰি বিধ্বস্ত হৈ পৰিছে জনজীৱন। ইয়াৰ পৰা সামান্য পৰিত্ৰাণ পোৱাৰ লগে লগে নলবাৰীবাসীয়ে ১১ পৃষ্ঠাত চাওক

## কলিয়াবৰ প্ৰেছ ক্লাবৰ ৰূপালী জয়ন্তী বৰ্ষ উদ্‌যাপনৰ প্ৰস্তুতি, আদৰণি সমিতি গঠন

অগ্ৰদূত বাৰ্তা
**কলিয়াবৰ, ৩০ ডিছেম্বৰ ঃ** কলিয়াবৰৰ সংবাদকৰ্মীৰ একমাত্ৰ উমৈহতীয়া শক্তিশালী মঞ্চ কলিয়াবৰ প্ৰেছ ক্লাবে এই বৰ্ষতে ২৪টাকৈ বৰ্ষ অতিক্ৰমী ৰূপালী জয়ন্তী বৰ্ষ গৰকিব। ২০২২ত আগন্তুক ৰূপালী জয়ন্তী বৰ্ষ উপলক্ষে কলিয়াবৰ প্ৰেছ ক্লাবে বৰ্ষজোৰা উদ্‌যাপনৰ প্ৰস্তুতি চলাইছে। এই বৰ্ষজোৰা কাৰ্যসূচীৰে ৰূপালী জয়ন্তী উদ্‌যাপন কৰাৰ উদ্দেশ্যে আজি কলিয়াবৰ প্ৰেছ ক্লাবৰ জখলাবন্ধা হাস্পতাল চাৰিআলিস্থিত কাৰ্যালয় প্ৰাংগণত কলিয়াবৰ প্ৰেছ ক্লাবৰ সভাপতি তপন শইকীয়াৰ সভাপতিত্বত কলিয়াবৰৰ বিভিন্ন অনুষ্ঠানৰ বিষয়ববীয়া আৰু বিশিষ্ট ব্যক্তিৰ উপস্থিতিত ৰূপালী জয়ন্তী বৰ্ষৰ প্ৰস্তুতি সভা অনুষ্ঠিত হয়। কলিয়াবৰ প্ৰেছ ক্লাবৰ সম্পাদক জয়ন্ত কুমাৰ শৰ্মাই আগন্তুক দিনত কলিয়াবৰ প্ৰেছ ক্লাবে ৰূপালী জয়ন্তী বৰ্ষ উদ্‌যাপনৰ বাবে বৰ্ষজোৰাভাৱে গ্ৰহণ কৰা প্ৰস্তুতিৰ কাৰ্যক্ৰমণিকা অৱগত কৰে। কলিয়াবৰ জিলা সত্ৰ মহাসভাৰ সভাপতি তথা সমাজকৰ্মী হিৰু প্ৰসাদ মহন্তই যে আগন্তুক ভোগালী বিহুৰ দিনাই ৰূপালী জয়ন্তী বৰ্ষৰ বৰ্ষজোৰা অনুষ্ঠানৰ শুভাৰম্ভ কৰাৰ মত ব্যক্ত কৰাৰ লগতে ঐতিহ্যমণ্ডিত কলিয়াবৰৰ পৰম্পৰাগত অনুষ্ঠান অনুষ্ঠিত কৰা আৰু এখন স্মৃতিগ্ৰন্থ প্ৰকাশ কৰিবৰ বাবে পৰামৰ্শ আগবঢ়ায়। সাংবাদিক নয়নজ্যোতি শইকীয়া, কৃতী শিক্ষয়িত্ৰী সংগীতা পূজাৰী, ধ্ৰুৱজ্যোতি বৰগোহাঞি, সদৌ ১১ পৃষ্ঠাত চাওক

## কোকৰাঝাৰৰ উপায়ুক্ত কাৰ্যালয়ত পথ সুৰক্ষা সম্পৰ্কীয় বৈঠক

অগ্ৰদূত বাৰ্তা
**কোকৰাঝাৰ, ৩০ ডিচেম্বৰ ঃ** কোকৰাঝাৰ জিলাৰ উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত যোৱা নিশা এখন জৰুৰী সভা অনুষ্ঠিত হয়। জিলা উপায়ুক্ত বৰ্ণালী ডেকাৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত উপায়ুক্তই কয় যে ২০২১ৰ জানুৱাৰীৰ পৰা নৱেম্বৰলৈকে কোকৰাঝাৰ জিলাত মুঠ ১৫৯ টা পথ দুৰ্ঘটনা সংঘটিত হয়, য'ত ৯৭ জন লোকৰ মৃত্যু হয় আৰু ১২৫ জন লোক আহত হয়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশ অনুসৰি ৩১ ডিচেম্বৰ আৰু এক জানুৱাৰীত যাতে কোনো দুৰ্ঘটনা সংঘটিত নহয়, তাৰ প্ৰতি লক্ষ্য ৰাখি ১১ পৃষ্ঠাত চাওক






## ১১৩ ৰাণত পৰাস্ত দক্ষিণ আফ্ৰিকা ঃ তিনিখনীয়া শৃংখলাত ১-০ ৰ অগ্ৰগতি ভাৰতৰ ঃ লোকেছ ৰাহুল মেচৰ শ্ৰেষ্ঠ

# প্ৰথম টেষ্ট জয়েৰে দেশবাসীক নৱবৰ্ষৰ উপহাৰ টীম ইণ্ডিয়াৰ

**চেঞ্চুৰিয়ন, ৩০ ডিচেম্বৰ ঃ** নৱবৰ্ষৰ দুদিন পূৰ্বে দেশবাসীক সফলতাৰ উপহাৰ দিলে ভাৰতীয় ক্ৰিকেট দলে। উল্লেখ্য যে ভাৰতে তিনিখনীয়া টেষ্ট শৃংখলাৰ চলিত প্ৰথমখন টেষ্টত দক্ষিণ আফ্ৰিকাক 113 ৰাণৰ ব্যৱধানত পৰাস্ত কৰি শৃংখলাত 1-0 ৰ অগ্ৰগতি লাভ কৰিছে। ভাৰতে দিয়া 305 ৰাণৰ বিজয়লক্ষ্য অনুসৰণ কৰি আজি পঞ্চমদিনা দক্ষিণ আফ্ৰিকাই 191 ৰাণত দ্বিতীয় ইনিংছ সামৰে। উল্লেখ্য যে দক্ষিণ আফ্ৰিকাই কালিয়ে চতুৰ্থ দিনাৰ খেলৰ অন্তত চাৰিটা উইকেট হেৰুৱাই 94 ৰাণ কৰি বিপদত পৰিছিল। ঘৰুৱা দলৰ হৈ এলগাৰে 77 ৰাণ কৰাৰ বিপৰীতে বাভুমাই 35 ৰাণ কৰে। ভাৰতৰ হৈ বুমৰাহ আৰু ছামিয়ে তিনিটাকৈ তথা ছিৰাজ আৰু অশ্বিনে দুটাকৈ উইকেট পায়। উল্লেখ্য যে প্ৰথম ইনিংছত 130 ৰাণৰ গুৰুত্বপূৰ্ণ অগ্ৰগতি লাভ কৰা ভাৰতে দ্বিতীয় ইনিংছত 174 ৰাণ কৰিছিল। চেঞ্চুৰিয়ানত হোৱা টেষ্টখনত ভাৰতৰ প্ৰথম ইনিংছৰ 327 ৰাণৰ প্ৰত্যুত্তৰত দক্ষিণ আফ্ৰিকাই 197 ৰাণতে প্ৰথম ইনিংছ সামৰে আৰু ঘৰুৱা দলটো 130 ৰাণত পিছ পৰি থাকে। প্ৰথম ইনিংছত ভাৰতক অগ্ৰগতি দিয়াত মূখ্য ভূমিকা লয় পেচ বলাৰ মহম্মদ ছামিয়ে। পাঁচটা উইকেট লাভ কৰে ছামিয়ে। কিন্তু মেচৰ শ্ৰেষ্ঠ হয় ৰাহুল। উল্লেখ্য যে প্ৰথম ইনিংছত ভাৰতীয় দলৰ অপেনিং বেটছমেন লোকেছ ৰাহুলে 123 ৰাণৰ শতকীয় ইনিংছ খেলিছিল। সেয়াই মেচৰ টাৰ্ণিং পইণ্ট। কিন্তু উল্লেখ্য যে ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ তিনিখনীয়া টেষ্ট শৃংখলাৰ প্ৰথমখন টেষ্টৰ দ্বিতীয় দিনাৰ খেল বৰষুণৰ বাবে হোৱা নাছিল। কিন্তু বাকী চাৰিদিনৰ খেলত ভাৰতে অধিপত্য বিস্তাৰ কৰিবলৈ সক্ষম হয় আৰু জয়ৰ সফলতা লাভ কৰে। তিনিখনীয়া টেষ্ট শৃংখলাৰ দ্বিতীয়খন মেচ তিনি জানুৱাৰীৰ পৰা আৰম্ভ হ'ব।



## শ্বাইন'ছ প্লেয়াৰ্ছৰ তিনি ৰাণত ৰোমাঞ্চকৰ জয়

অগ্ৰদূত বাৰ্তা

**বেবেজীয়া, ৩০ ডিচেম্বৰ ঃ** নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত নুৰুল আমিন ষ্টেডিয়ামত চলি থকা অসম ক্ৰিকেট সন্থাৰ চতুৰ্থ অসম প্ৰিমিয়াৰ আন্তঃক্লাৱ ক্ৰিকেট প্ৰতিযোগিতাৰ আজি এখন গুৰুত্বপূৰ্ণ খেলত শ্বাইন'ছ প্লেয়াৰ্ছে উদয় সংঘক তিনি ৰাণত হৰুৱাই ৰোমাঞ্চকৰ জয় সাব্যস্ত কৰিছে। খেলখনত শ্বাইন'ছ প্লেয়াৰ্ছে পোনতে বেট ধৰি আঠটা উইকেটৰ বিনিময়ত 169 ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত উদয় সংঘই বেট ধৰি সাতটা উইকেট হেৰুৱাই 166 ৰাণহে সংগ্ৰহ কৰে। খেলখনত শ্বাইন'ছ প্লেয়াৰ্ছৰ বিশাল গোস্বামী মেন অব দ্যা মেচৰূপে বিবেচিত হয়। প্ৰতিযোগিতাৰ কাইলৈ হ'বলগীয়া ফাইনেল খেলখনত ৰেডিয়েল ক্লাবে খেলিব ষ্টাৰ স্প'ৰ্টিং ক্লাবৰ বিৰুদ্ধে।

## গোৱালপাৰাত জেনিথ ক্ৰিকেট ক্লাব চেম্পিয়ন

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ৩০ ডিচেম্বৰ ঃ** অসম ক্ৰিকেট সন্থাই অনুষ্ঠিত কৰা অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপ ক্ৰিকেট প্ৰতিযোগিতাৰ গোৱালপাৰা জিলাৰ ক্লাৱ সমূহৰ মাজত অনুষ্ঠিত প্ৰতিযোগিতাত জেনিথ ক্ৰিকেট ক্লাৱ চেম্পিয়ন হৈছে । গোৱালপাৰা চহৰৰ ডি এন সিংহ ষ্টেডিয়ামত আজি অনুষ্ঠিত ফাইনেল খেলত জেনিথ ক্ৰিকেট ক্লাৱে হেলচিয়ন ক্লাৱক তিনি উইকেটত পৰাজিত কৰি চেম্পিয়ন হয় । হেললচিয়ন ক্লাৱে প্ৰথমতে বেট ধৰি 30 অভাৰত আটাইকেইটা উইকেট হেৰুৱাই 177 ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত জেনিথ ক্লাৱে 28.1 অভাৰত সাত উইকেটৰ বিনিময়ত 179 ৰাণ সংগ্ৰহ কৰি জয়ৰ লক্ষ্যত উপনীত হয়।



## চৰাইদেউৰ পৰা সোণাৰি টাউন ক্লাবৰ যোগ্যতা অৰ্জন



**গুৱাহাটী, ৩০ ডিচেম্বৰ ঃ** সোনাৰি টাউন ক্লাবে অসম ক্ৰিকেট সন্থাই আয়োজন কৰা চলিত অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ জিলা চেম্পিয়ন হৈছে। আজি চৰাইদেউত হোৱা ফাইনেল মেচত সোনাৰি টাউন ক্লাবে ন উইকেটত পৰাস্ত কৰে মৰাণ আলপিনেছ ক্লাবক। পোনতে বেটিং কৰি মৰাণ আলপিনেছ ক্লাবে 119-10 ৰাণ কৰে। প্ৰত্যুত্তৰত, সোনাৰি টাউন ক্লাবে 123-1 ৰাণ কৰি জয় অৰ্জন কৰে। উল্লেখ্য যে প্ৰথম স্তৰত যিসকল চেণ্টাৰত চতুৰ্থ অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ খেল হৈছে প্ৰতিটো কেন্দ্ৰৰ পৰা এটাকৈ দল যোগ্যতা অৰ্জন কৰিব মাণ্ডলিক ৰাউণ্ডৰ মেচলৈ। অহাবৰ্ষৰ 28 জানুৱাৰীৰ পৰা 15 ফেব্ৰুৱাৰীলৈ হ'ব ছটা মণ্ডলৰ খেলসমূহ। আনহাতে, এই ছটা মণ্ডলৰ পৰা শীৰ্ষ দুটাকৈ দল অৰ্থাৎ 12 দলে খেলিব ফাইনেল ৰাউণ্ডৰ মেচ। ফাইনেল ৰাউণ্ড আৰম্ভ হ'ব 10 মাৰ্চৰ পৰা 10 এপ্ৰিললৈ। চেম্পিয়ন হৈ সোনাৰি টাউন ক্লাবে দ্বিতীয় ৰাউণ্ডলৈ যোগ্যতা অৰ্জন কৰিছে।

### আন্তঃজিলা জুনিয়ৰ কাবাদী প্ৰতিযোগিতাৰ সামৰণি

## হোজাই, তামুলপুৰ চেম্পিয়ন





অগ্ৰদূত বাৰ্তা

**দুধনৈ, ৩০ ডিচেম্বৰ ঃ** সদৌ অসম কাবাডী সন্থাৰ উদ্যোগত আৰু পূৱ গোৱালপাৰা ক্ৰীড়া সন্থাৰ সৌজন্যত দুধনৈ ৰাজহুৱা খেলপথাৰত অনুষ্ঠিত হোৱা সদৌ অসম আন্তঃ জিলা জুনিয়ৰ কাবাদী প্ৰতিযোগিতাৰ আজি সামৰণি পৰে। আজি সামৰণিৰ দিনা বিয়লিৰ ভাগত ল'ৰা আৰু ছোৱালী শাখাত অনুষ্ঠিত হোৱা ফাইনেল খেল দুখনত তামুলপুৰ জিলা দলে কোকৰাঝাৰ জিলা দলক 31-29 পইন্টৰ ব্যবধানত পৰাজিত কৰি খিতাপ লাভ কৰাৰ লগতে ল'ৰাৰ শাখাত হোজাই জিলা দলে গুৱাহাটী জিলা দলক 33-9 পইন্টৰ ব্যবধানত পৰাজিত কৰি খিতাপ দখল কৰে। আজিৰ খেল দুখন উদ্বোধন কৰে সাংসদ তথা অসম কাবাদী সন্থাৰ সভাপতি ভুৱনেশ্বৰ কলিতা আৰু সাংসদ কুইন ওজাই। খেলৰ শেষত বিজয়ী দল দুটাক নিমন্ত্ৰিত অতিথি সকলে বঁটা বিতৰণ কৰে। ল'ৰা শাখাৰ শ্ৰেষ্ঠ ৰেইদাৰ হোজাই জিলাৰ পিয়াৰ হুছেইন আৰু শ্ৰেষ্ঠ কেটচাৰ ইনামুল হুছেইনে লাভ কৰে। আনহাতে, ছোৱালী শাখাৰ শ্ৰেষ্ঠ ৰেইদাৰ তামুলপুৰ জিলা দলৰ কৰীণা বড়ো আৰু শ্ৰেষ্ঠ কেটচাৰৰ সন্মান লাভ কোকৰাঝাৰৰ পুৰ্ণিমা বসুমতাৰীয়ে।

### ১৯ বছৰ অনূৰ্ধ্ব এছিয়া কাপ ক্ৰিকেট

## আজি ভাৰত-শ্ৰীলংকাৰ ফাইনেল



**শ্বাৰজাহ, ৩০ ডিচেম্বৰ ঃ** ভাৰতৰ 19 বছৰ অনূৰ্ধ দলে চলিত এছিয়া কাপ ক্ৰিকেটৰ ফাইনেলত প্ৰৱেশ কৰিছে। আজি হোৱা ছেমিফাইনেলত ভাৰতৰ 19 বছৰ অনূৰ্ধ দলে 103 ৰাণত পৰাস্ত কৰে বাংলাদেশক। পোনতে বেটিং কৰি ভাৰতে 243-8 ৰাণ কৰে। প্ৰত্যুত্তৰত বাংলাদেশৰ 19 বছৰ অনূৰ্ধ দলে 140 ৰাণত ইনিংছ সামৰি পৰাজয় স্বীকাৰ কৰে। কাইলৈ হ'বলগা ফাইনেল মেচত ভাৰতৰ 19 বছৰ অনূৰ্ধ দলে খেলিব শ্ৰীলংকাৰ বিৰুদ্ধে। আজি হোৱা দ্বিতীয়খন ছেমিফাইনেলত শ্ৰীলংকাই 22 ৰাণত পৰাস্ত কৰে পাকিস্তানক। পোনতে বেটিং কৰি শ্ৰীলংকাই 147 ৰাণ কৰে। প্ৰত্যুত্তৰত পাকিস্তানৰ 19 বছৰ অনূৰ্ধ দলে 125 ৰাণত ইনিংছ সামৰি পৰাজয় স্বীকাৰ কৰে।

## ক্ৰিকেট প্ৰতিযোগিতাৰ সামৰণি

অগ্ৰদূত বাৰ্তা

**ছয়গাঁও, ৩০ ডিচেম্বৰ ঃ** দক্ষিণ কামৰূপ ছয়গাঁও সমষ্টিৰ কুকুৰমাৰা ফ্ৰীডম ক্লাবৰ সৌজন্যত অনুষ্ঠিত হোৱা দশম বাৰ্ষিক ক্ৰিকেট প্ৰতিযোগিতাৰ আজি সফল সামৰণি পৰে । কুকুৰমাৰা গাঁৱৰ ৰাজহুৱা খেলপথাৰত অনুষ্ঠিত হোৱা খেলখনত দক্ষিণ কামৰূপৰ কেবাটাও আগশাৰীৰ দলে অংশ গ্ৰহণ কৰিছিল । আজি ফাইনেল খেলত জীয়াকুৰ গাঁৱৰ চেলিব্ৰিটি দলে চেম্পিয়ন হোৱাৰ বিপৰীতে জীয়াকুৰৰ অন্য এটা দলে দ্বিতীয় পুৰস্কাৰ লাভ কৰে । খেলৰ শেষত ক্লাবৰ সভাপতি যাদৱ দাসৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখনত সম্পাদক নাৰায়ণ দাসে খেলখন পৰিচালনা কৰে । বঁটা বিতৰণী সভাত ছয়গাঁৱৰ বিশিষ্ট সমাজসেৱক বিনোদ কলিতা, কুকুৰমাৰা গাঁৱৰ গাঁও প্ৰধান জনক দাস, নেহৰু ক্লাৱৰ সভাপতি মিলন কুমাৰ দাস, শিশু শিল্পী নৱজিৎ কৈৱৰ্ত্ত উপস্থিত থাকে।

### মেজৰ ৰেংকিং টেনিছত তানিয়া কুমাৰী-টুটু থাপাৰ দ্বিমুকুট অৰ্জন

## যোৰহাট অপেনত অন্তৰীশৰ ত্ৰিমুকুট




**গুৱাহাটী, ৩০ ডিচেম্বৰ ঃ** অসম টেনিছ সন্থাৰ সহযোগত যোৰহাট টেনিছ ক্লাবত অনুষ্ঠিত হোৱা 30 সংখ্যক যোৰহাট অপেনৰ আজি সামৰণি পৰিছে। উল্লেখ্য যে মেজৰ ৰেংকিং টেনিছ প্ৰতিযোগিতাখনত অন্তৰীশ তামুলীয়ে ত্ৰিমুকুট অৰ্জন কৰাৰ বিপৰীতে তানিয়া কুমাৰী আৰু টুটু থাপাই দ্বিমুকুট লাভ কৰিবলৈ সক্ষম হয়। অন্তৰীশে ল'ৰাৰ 14 বছৰ আৰু 18 বছৰ অনূৰ্ধৰ একক শাখাৰ খিতাপ লাভ কৰাৰ বিপৰীতে 14 বছৰৰ ডাবলছ শাখাৰো চেম্পিয়ন হয়। ল'ৰাৰ 14 বছৰ অনূৰ্ধ শাখাৰ ফাইনেলত অন্তৰীশ তামুলীয়ে ৰিয়ান কাশ্যপক পৰাস্ত কৰি খিতাপ লাভ কৰাৰ পাছত ল'ৰাৰ 14 বছৰ অনূৰ্ধ শাখাৰ ডাবলছৰ ফাইনেলত অন্তৰীশ তামুলী আৰু আৰিয়ান বৰা যুটীয়ে পৰাস্ত কৰে আদিত্য কলিতা আৰু জিষ্ণু দাস যুটীক। ইফালে, 18 বছৰ অনূৰ্ধৰ একক শাখাৰ ফাইনেলত অন্তৰীশে পৰাস্ত কৰে মনন নাথক। ইফালে, টুটু থাপাই পুৰুষৰ একক আৰু ডাবলছৰ খিতাপ লাভ কৰিবলৈ সক্ষম হয়। এককৰ ফাইনেলত থাপাই পৰাস্ত কৰে সুধান্ত মোহান্তীক। আনহাতে, ডাবলছৰ ফাইনেলত থাপা আৰু মোহান্তীয়ে পৰাস্ত কৰে তুষাৰ পল আৰু জীত দত্তক। ল'ৰাৰ 12 বছৰ অনূৰ্ধৰ একক শাখাৰ ফাইনেলত চান্দোজ্জ পাঠকে পৰাস্ত কৰে মহাৰ্ণৱ বি বৰুৱাক। ইফালে, মেজৰ ৰেংকিং টেনিছ প্ৰতিযোগিতাখনৰ ছোৱালীৰ একক শাখাৰ 14 বছৰ অনূৰ্ধৰ ফাইনেলত আদ্ৰিকা ৰাজকুমাৰীয়ে বিষ্ণুপ্ৰিয়া বৰগোহাঁইক পৰাস্ত কৰি খিতাপ লাভ কৰে। ছোৱালীৰ একক শাখাৰ 18 বছৰ অনূৰ্ধৰ ফাইনেলত তানিয়া কুমাৰীয়ে পৰাস্ত কৰে তানিস্কা পাটৰক। ছোৱালীৰ 18 বছৰ অনূৰ্ধৰ ডাবলছৰ ফাইনেলত তানিষ্কা পাটৰ আৰু তানিয়া কুমাৰীয়ে অৰ্ণবী দেৱনাথ আৰু নিকিতা কান্দক হৰুৱাই খিতাপ লাভ কৰে। উল্লেখ্য যে এইবাৰ যোৰহাট অপেন টেনিছ প্ৰতিযোগিতাখনত ল'ৰাৰ 12, 14, 18 বছৰ অনূৰ্ধ্ব একক শাখাৰ তথা ল'ৰাৰ 14 বছৰ অনূৰ্ধ্ব ডাবলছ শাখাৰ খেল হোৱাৰ লগতে ছোৱালীৰ 14, 18 বছৰ অনূৰ্ধ্বৰ একক শাখাৰ আৰু পুৰুষৰ একক-ডাবলছ শাখাৰ খেল হৈছিল। প্ৰতিযোগিতাত অংশ লয় গুৱাহাটী, গোলাঘাট, এন আৰ এল, শিৱসাগৰ, ডিব্ৰুগড়, তেজপুৰ, দূলীয়াজান আৰু যোৰহাটৰ খেলুৱৈয়ে।

## অসম প্ৰিমিয়াৰ চেম্পিয়নশ্বিপৰ ফাইনেলত ফলকনচ ক্লাব

অগ্ৰদূত বাৰ্তা

**নাহৰকটীয়া, ৩০ ডিচেম্বৰ ঃ** নাহৰকটীয়া ক্ৰীড়া সন্থাৰ ষ্টেডিয়ামত চলি থকা অসম প্ৰিমিয়াৰ ক্লাৱ চেম্পিয়নশ্বিপত ফেলকনচ ক্লাৱে দুলীয়াজান ইয়ুথ ক্লাৱক 32 ৰাণত পৰাজিত কৰি ফাইনেলত প্ৰৱেশ কৰিছে । আজি অনুষ্ঠিত প্ৰথমখন ছেমিফাইনেলত টচত জিকি ফেলকনচ ক্লাৱে পোনতে বেট কৰি নিৰ্ধাৰিত 35 অভাৰত নটা উইকেট হেৰুৱাই 184 ৰাণ কৰে। প্ৰত্যুত্তৰত, দুলীয়াজান ইয়ুথ ক্লাৱে বেট কৰি 33.2 অভাৰত সকলো উইকেট হেৰুৱাই 152 ৰাণ কৰে ।

## ৰাজ্যিক টেবুল টেনিছত সাফল্য অভিজিত চাংমাইৰ

অগ্ৰদূত বাৰ্তা

**মৰাণ, ৩০ ডিচেম্বৰ ঃ** অসম টেবুল টেনিছ সন্থাৰ উদ্যোগত গুৱাহাটী তৰুণ ৰাম ফুকন ইনড'ৰ ষ্টিডয়ামত অনুষ্ঠিত আৰ জি বৰুৱা সদৌ অসম মেজৰ ৰেংকিং টেবুল টেনিছ প্ৰতিযোগিতাৰ একক শাখাত আৰু ৰাজ্যিক টেবুল টেনিছ প্ৰতিযোগিতাৰ একক শাখাত ডিব্ৰুগড় জিলাক প্ৰতিনিধিত্ব কৰি মৰাণৰ অভিজিত চাংমাইয়ে চেম্পিয়ন হৈ গৌৰৱ লাভ কৰিছে। ছাত্ৰ জনৰ এই সাফল্যত মৰাণবাসীয়ে আনন্দ প্ৰকাশ কৰিছে।



### অনন্ত দাস সোঁৱৰণী ফুটবল

## জনজাতীয় স্প'ৰ্টিং দলক হৰুৱাই নংবাগ চেম্পিয়ন



অগ্ৰদূত বাৰ্তা

**ছয়গাঁও, ৩০ ডিচেম্বৰ ঃ** নংবাগ ফুটবল ক্লাব দক্ষিণ কামৰূপ জিলা ক্ৰীড়া সন্থাৰ 2021 বৰ্ষৰ 'এ' ডিভিজন আন্তঃ ক্লাব লীগ ফুটবল প্ৰতিযোগিতাৰ চেম্পিয়ন হৈছে। আজি বনগাঁও ক্ৰীড়া সন্থাৰ খেলপথাৰত অনুষ্ঠিত হোৱা অনন্ত দাস সোঁৱৰণী ফুটবল প্ৰতিযোগিতাৰ ফাইনেল খেলখনত নংবাগে ফুটবল দলে জনজাতীয় স্প'ৰ্টিং ক্লাবক একমাত্ৰ গ'লত পৰাস্ত কৰে। প্ৰতিযোগিতাত নংবাগ দলৰ মোহন ৰাভা আৰু গোবিন্দ ৰাভাই ক্ৰমে শ্ৰেষ্ঠ খেলুৱৈ আৰু শ্ৰেষ্ঠ গলকীপাৰৰ বঁটা লাভ কৰে। বন্দাপাৰা জনতা সংঘৰ ৰণদীপ বড়োৱে লাভ কৰে শ্ৰেষ্ঠ গলদাতাৰ বঁটা। ইফালে, আজিয়ে ফাইনেলৰ আগে আগে অনুষ্ঠিত এখন প্ৰদৰ্শনীমূলক মহিলা ফুটবল খেলত কামৰূপা ফুটবল কোচিং চেণ্টাৰে ৰামপুৰ ইউনাইটেড ফুটবল ক্লাবক 5-0 গালত হৰুৱায়।

### অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপ ক্ৰিকেট প্ৰতিযোগিতা

## টিপ টপ ক্লাব হোজাই জিলাৰ চেম্পিয়ন

**গুৱাহাটী, ৩০ ডিচেম্বৰ ঃ** অসম ক্ৰিকেট সন্থাই আয়োজন কৰা চলিত অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ হোজাই জিলাৰ পৰা চেম্পিয়ন হৈছে টিপ টপ ক্লাব। আজি হোৱা ফাইনেল মেচত টিপ টপ ক্লাবে চাৰি উইকেটত পৰাস্ত কৰে লামডিং ক্ৰিকেট প্ৰশিক্ষন কেন্দ্ৰক। পোনতে বেটিং লামডিং ক্ৰিকেট প্ৰশিক্ষন কেন্দ্ৰই 141-10 ৰাণ কৰে। প্ৰত্যুত্তৰত, টিপ টপ ক্লাবে 142-6 ৰাণ কৰি জয় অৰ্জন কৰে। উল্লেখ্য যে চতুৰ্থ অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ চেম্পিয়ন দলে লাভ কৰিব 10 লাখ টকা। ৰানাৰ্ছআপ দলে পাঁচ লাখ টকা। ছেমিফাইনেলত পৰাস্ত হোৱা দল দুটাই দুই লাখকৈ। মাণ্ডলিক স্তৰৰ চেম্পিয়ন দলে ডেৰ লাখ তথা ৰানাৰ্ছআপ দলে এক লাখ টকা পাব। আনহাতে, জিলাৰ চেম্পিয়ন দলে লাভ কৰিব এক লাখ।



